সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17


গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২৩ সংখ্যা, ২৬ জেঠ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 23 Date Of Publication - 9 June 2024 Rs.10.00/-

## আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপতগ্ৰহণ কৰিব নৰেন্দ্ৰ মোদীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- আজি এনডিএ চৰকাৰৰ শপতগ্ৰহণ। ইতিহাস সৃষ্টিৰে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপত ল'ব নৰেন্দ্ৰ মোদীয়ে।

স্বৰাজোত্তৰ ভাৰতত কংগ্ৰেছৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ পিছত তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ শপত ল'ব নৰেন্দ্ৰ মোদীয়ে। শপতগ্ৰহণ কাৰ্যসূচীৰ বাবে ৰাষ্ট্ৰপতি ভৱনৰ চৌহদ আটকধুনীয়াকৈ সজাই তোলাৰ লগতে গঢ়ি তোলা হৈছে তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা। ৰাষ্ট্ৰপতি ভৱন প্ৰাংগণত আজি সন্ধিয়া ৭.১৫ বজাত আৰম্ভ হ'ব এনডিএ চৰকাৰৰ শপতগ্ৰহণ কাৰ্যসূচী। ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৱে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱা নৰেন্দ্ৰ মোদীক শপতবাক্য পাঠ কৰোৱাৰ পিছত পৰ্যায়ক্ৰমে কেন্দ্ৰীয় কেবিনেট মন্ত্ৰীসকলে শপত ল'ব। উল্লেখ্য যে যোৱা ৪ জুনত অষ্টাদশ লোকসভা নিৰ্বাচনৰ ফলাফলত বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰ গঠনৰ মেজিক সংখ্যা অৰ্জন কৰাৰ পিছত পৰ্যায়ক্ৰমে এনডিএৰ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এনডিএৰ নেতা হিচাপে নিৰ্বাচন কৰাৰ সমান্তৰালকৈ সংসদীয় দলৰ নেতা হিচাপেও সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰে। এনডিএৰ প্ৰতিনিধি দলে ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুক চৰকাৰ গঠনৰ দাবী জনোৱাৰ পিছত ৰাষ্ট্ৰপতি দ্ৰৌপদী মূৰ্মুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চৰকাৰ গঠন কৰাৰ বাবে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়। ৰাষ্ট্ৰপতিৰ আমন্ত্ৰণৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আজি তৃতীয়বাৰৰ বাবে

(দহ পৃষ্ঠাত চাওক)

## আজি ভাৰত- পাকিস্তানৰ ঐতিহাসিক মহাৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- মাত্ৰ কেইঘণ্টামান পিছত নিউয়ৰ্কৰ নাছাউ কাউণ্টী আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ভাৰত আৰু পাকিস্তানৰ ঐতিহাসিক মহাৰণ। বিশ্ববাসীয়ে অধীৰ আগ্ৰহেৰে বাট চাই থকা চলিত টি-২০ বিশ্বকাপৰ বহু প্ৰতীক্ষিত ভাৰত-পাকিস্তানৰ এই হাইভ'ল্টেজ মেচখন আজি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। গ্ৰুপ 'এ'ৰ এই গুৰুত্বপূৰ্ণ মেচখনক লৈ ইতিমধ্যে সাজু হৈছে ৰোহিত শৰ্মা নেতৃত্বাধীন টীম ইণ্ডিয়াৰ লগতে বাবৰ আজম নেতৃত্বাধীন পাকিস্তান। মেচখনক লৈ ইতিমধ্যে ৰণনীতি প্ৰস্তুত কৰিছে দুয়োটা দলে। চলিত বিশ্বকাপৰ প্ৰথমখন মেচত আয়াৰলেণ্ডক পৰাস্ত কৰি ভাৰতীয় দলটোৰ আত্মবিশ্বাস তুংগত থকাৰ বিপৰীতে নিজৰ প্ৰথমখন মেচত আমেৰিকাৰ হাতত পৰাস্ত হৈ চাপৰ সন্মুখীন হৈ আছে পাকিস্তান দলটো। বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে জয়ৰ ধাৰা অব্যাহত ৰখাৰ লক্ষ্যৰে আজি খেলপথাৰত নামিব ভাৰতীয় দলটো। এতিয়ালৈকে টি-২০ বিশ্বকাপত দুয়োটা দলে ৭ বাৰ মুখামুখি হৈছে আৰু ইয়াৰে মাত্ৰ এবাৰহে পাকিস্তানে ভাৰতীয় দলটোক পৰাস্ত কৰিবলৈ সক্ষম হৈছে। ২০২১ চনত ডুবাইত পাকিস্তানে ভাৰতীয় দলটোক পৰাস্ত কৰিছিল। আজি পাকিস্তানক পৰাস্ত কৰি চলিত বিশ্বকাপৰ ছুপাৰ ৮ত প্ৰৱেশ কৰাৰ পথ সুগম কৰাৰ লক্ষ্য লৈছে ৰোহিত বাহিনীয়ে। মেচখনত পাকিস্তানৰ পেচ বলিঙৰ প্ৰত্যাহ্বানক লৈ বিশেষ ৰণনীতি তৈয়াৰ কৰিছে ভাৰতীয় দলটোৱে। পাকিস্তানে প্ৰথমখন

(দহ পৃষ্ঠাত চাওক)

## শিক্ষকৰ বদলিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা শিক্ষামন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষকৰ বদলিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। ইয়াৰ সমান্তৰালভাৱে প্ৰাথমিক-মাধ্যমিক পৰ্যায়ত শিক্ষক নিযুক্তিৰ পদক্ষেপৰ বিষয়েও তেওঁ সদৰী কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা মতে, গ্ৰীষ্ম বন্ধৰ পূৰ্বে ৰাজ্যত সম্পন্ন হ'ব শিক্ষকৰ বদলিকৰণ প্ৰক্ৰিয়া। 'নিপুণ অসম অভিযান' সঠিকভাৱে ৰূপায়ণৰ লক্ষ্যৰে আয়োজন কৰা এখন তিনিদিনীয়া কৰ্মশালা মুকলি কৰাৰ পাছত সংবাদ মাধ্যমৰে হোৱা অনানুষ্ঠানিক বাৰ্তালাপত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে আইন মতে গৰম বন্ধৰ আগতে সকলো বদলি সম্পন্ন হ'ব লাগে। এতিয়া গৰম বন্ধ আহি আছে। গৰম বন্ধৰ আগে আগে যিখিনি আইনমতে সিদ্ধ, অৰ্থাৎ বদলি হোৱাৰ যোগ্য সকলোৱে নিৰ্দেশনা লাভ কৰিব। 'শিক্ষাসেতু'ৰ শিক্ষকৰ বদলিৰ আবেদন প্ৰক্ৰিয়াত কিছু সময়ৰ প্ৰয়োজন হ'ব বুলিও তেওঁ মন্তব্য কৰে। শিক্ষক নিযুক্তি প্ৰসংগত সোধা প্ৰশ্নৰ উত্তৰ দি শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে ইতিমধ্যে নিযুক্তি সম্পৰ্কীয় এটা বিজ্ঞাপন প্ৰকাশ পাইছে। প্ৰাথমিক

(দহ পৃষ্ঠাত চাওক)

**আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ** WhatsApp - 9854215286

Email - rongilibartamedhi@gmail.com **যোগে পঠাব পাৰে।**

Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# অসমৰ ১১ খনত এনডিএৰ বিজয়



ৰঙিলী বাৰ্তাসেৱা- অসমৰ ১৪টা লোকসভা সমষ্টিৰ ভিতৰত বিজেপিয়ে ৯খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে লাভ কৰিছে ৩খন আসন। আনহাতে ইউ পি পি এলে এখন আসন আৰু অসম গণ পৰিষদে এখন আসন লাভ কৰিছে। বিজেপিৰ হৈ ডিব্ৰুগড়ত সৰ্বানন্দ সোণোৱাল, লখিমপুৰত প্ৰদান বৰুৱা, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছা, শিলচৰত পৰিমল শুক্লবৈদ্য, কৰিমগঞ্জত কৃপানাথ মাল্লা, ডিফুত অমৰসিং তিছু, গুৱাহাটীত বিজুলী কলিতা মেধি, শোণিতপুৰত ৰঞ্জিত দত্ত আৰু দৰং-ওডালগুৰিত দিলীপ শইকীয়া বিজয়ী হৈছে। বৰপেটা সমষ্টিত অসম গণ পৰিষদৰ ফণী ভূষণ চৌধুৰী, কোকৰাঝাৰ সমষ্টিত ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী বিজয়ী হৈছে। আনহাতে যোৰহাটত কংগ্ৰেছৰ গৌৰৱ গগৈ, নগাঁৱত সাংসদ প্ৰদ্যুত বৰদলৈ আৰু ধুবুৰী সমষ্টিত বিধায়ক তথা এইবাৰৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে বিজয়ী হৈছে। ভাৰতীয় নিৰ্বাচন আয়োগৰ ৱেবছাইটত প্ৰকাশ কৰা তথ্য অনুসৰি, বৰপেটা সমষ্টিত অসম গণ পৰিষদৰ ফণী ভূষণ চৌধুৰীয়ে ৮, ৫৯, ৫৬৯টা ভোট লাভেৰে ২, ২২, ৩৫১টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। দৰং-ওডালগুৰি সমষ্টিত বিজেপিৰ দিলীপ শইকীয়াই ৮, ৬৮, ৩৮৭টা ভোট লাভ কৰে আৰু ৩, ২৯, ০১২টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। ধুবুৰী লোকসভা সমষ্টিত কংগ্ৰেছৰ ৰকিবুল হুছেইনে লাভ কৰে ১৪, ৭১, ৮৮৫টা ভোট আৰু ১০, ১২, ৪৭৬টা ভোটৰ বৃহৎ ব্যৱধানত জয় লাভ কৰে। আনহাতে ডিব্ৰুগড় লোকসভা সমষ্টিত বিজেপিৰ সৰ্বানন্দ সোণোৱালে ৬, ৯৩, ৭৬২টা ভোট লাভ কৰি ২, ৭৯, ৩২১টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। ডিফু সমষ্টিত বিজেপিৰ অমৰসিং টিছৰে ৩, ৩৪, ৬২০টা ভোট লাভ কৰি ১,৪৭, ৬০৩টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। গুৱাহাটী সমষ্টিত বিজেপিৰ বিজুলী কলিতা মেধীয়ে ৮, ৯৪, ৮৮৭টা ভোট লাভ কৰি ২, ৫১, ০৯০টা ভোটৰ *(দহ পৃষ্ঠাত চাওক)*

# দেশৰ ভিতৰতে সৰ্বাধিক ভোটৰ ব্যৱধানত জয়ী ৰকিবুল হুছেইন



ৰঙিলী বাৰ্তাসেৱা- বহু উৎকণ্ঠাৰ অন্তত অৱশেষত ৪জুনত ঘোষণা হ'ল দেশৰ ১৮ সংখ্যক লোকসভা নিৰ্বাচনৰ ফলাফল। ধুবুৰী লোকসভা সমষ্টিত ৰকিবুল হুছেইনৰ ছুনামি । এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলৰ দুৰ্গৰূপে পৰিচিত ধুবুৰী লোকসভা সমষ্টিত বৃহৎ সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে। ধুবুৰী লোকসভা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে ১৪, ৭১, ৮৮৫টা ভোট লাভ কৰি সৰ্বাধিক ১০, ১২, ৪৭৬টা ভোটৰ বৃহৎ ব্যৱধানত জয় লাভ কৰে। আনহাতে, ধুবুৰী সমষ্টিত ৰকিবুল হুছেইনৰ মূল প্ৰতিদ্বন্দ্বী AIUDFৰ মঃ বদৰুদ্দিন আজমলে লাভ কৰে ৪, ৫৯, ৪০৯টা ভোট আৰু অগপৰ জাবেদ ইছলামে ৪, ৩৮, ৫৯৪টা ভোট লাভ কৰে। সৰ্বাধিক ভোটৰ ব্যৱধানত জয়ী হোৱা প্ৰাৰ্থীৰ তালিকাত কংগ্ৰেছৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে ১৪, ৭১, ৮৮৫টা ভোট লাভ কৰি সৰ্বাধিক ১০, ১২, ৪৭৬টা ভোটৰ ব্যৱধানেৰে শীৰ্ষত থকাৰ বিপৰীতে মধ্য প্ৰদেশৰ ইন্দোৰ লোকসভা সমষ্টিৰ পৰা জয়লাভ কৰা বিজেপিৰ প্ৰাৰ্থী শংকৰ *(দহ পৃষ্ঠাত চাওক)*

# সাংসদ পদত জয়ী হোৱাৰ পাছতে মাজুলীত উপস্থিত গৌৰৱ গগৈ



ৰঙিলী বাৰ্তাসেৱা- অসমৰ সংসদীয় নিৰ্বাচনত এইবাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমষ্টি হিচাপে বিবেচিত যোৰহাট লোকসভা সমষ্টি । সমষ্টিটোৰ পৰা কালি ঘোষিত ফলাফল অনুসৰি বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে শেষ হাঁহি মৰাৰ পিছদিনাই যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত ৯৮ নং(এছ.টি) মাজুলী বিধান সভা সমষ্টিত উপস্থিত হয়। লোকসভা নিৰ্বাচনত জয়ৰ পাছত নিমাতীৰ পৰা অফলামুখ ঘাটেৰে মাজুলীত উপস্থিত হোৱা সাংসদ গৰাকীয়ে মাজুলীৰ ভূমিত ভৰি দিয়াৰ লগে লগে ৰাইজে বিপুল ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে । সাংসদ গৰাকীক নিচেই কাষতে পাই আনন্দত আত্মহাৰা হৈ নাচিবলৈ আৰম্ভ কৰে সমৰ্থক সকলে। ৰাইজৰ আনন্দৰ মাজতে সাংসদ গৌৰৱ গগৈয়েও নাচি ৰাইজৰ মাজত উৎফুল্লিত হৈপৰে। মাজুলীৰ ভূমিত ভৰি দি ৰাইজৰ ব্যাপক সম্ভাষণ অন্তৰিকতাৰে গ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত গৌৰৱ গগৈয়ে কয়, মই যথেষ্ট কৃতজ্ঞ । মাজুলীৰ লগত মোৰ আত্মিক সম্পৰ্ক আছিল। এই নিৰ্বাচনৰ পৰা সেই সম্পৰ্ক অতি দৃঢ় হ'ল। মাজুলীৰে সৈতে মোৰ সম্পৰ্ক ঘৰুৱা হ'ল । মাজুলীবাসীৰ মৰম স্নেহ আৰু বেছিকৈ দেখা পাইছোঁ। যোৰহাটৰ ৰাইজে আগৰ পৰা জনাই আছিল মোক যোৰহাটৰ পৰা প্ৰাৰ্থীত্ব দিব লাগে। সাংসদ গৰাকীয়ে মাজুলীবাসী ৰাইজে যি মৰম সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। চৰকাৰ গঠনৰ সন্দৰ্ভত সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত সাংসদ গৰাকীয়ে কয়, সংবাদমেল হ'ল। আমাৰ ইণ্ডিয়া এলায়েঞ্চএ সকলো দলৰ পৰামৰ্শ লোৱাটো উচিত। সকলোৰে লগত আলোচনা কৰাটো উচিত। কিছু দিনৰ আগতে নীতিশ কুমাৰ আমাৰ লগত আছিল। সেই কাৰণে তেখতৰ লগত আমাৰ ভাল চিনাকি। ২০১৯ চনৰ নিৰ্বাচনৰ সময়ত চন্দ্ৰ বাবু নাইডু আমাৰ লগত আছিল । হঠাতে দুয়োজন এন ডি এ লগত আছে। এন ডি এৰ লগত অন্ধ্ৰপ্ৰদেশৰ ৰাইচাৰ কংগ্ৰেছ আছিল। বিহাৰৰ নীতিশ কুমাৰ আমাৰ লগত আছিল। ৰাজনীতিত পৰিস্থিতি সলনি হ'ব পাৰে। সংবাদ মাধ্যমৰ আগত সাংসদ গৰাকীয়ে আৰু কয়, বিজেপিৰ অহংকাৰ আজি জনসাধাৰণে ভাঙিছে। মই জনসাধাৰণক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লোকতন্ত্ৰ ৰক্ষা কৰিবলৈ কংগ্ৰেছ দলক ৰাইজে ভোট দিছে, আশীৰ্বাদ দিছে। এতিয়া সদনৰ ভিতৰত সংবিধান আৰু অসম বিৰোধী আইন বিজেপিয়ে আনিব বিচাৰিলেও আমাৰ হাতত সংখ্যা আছে আমি তাক বাতিল কৰিব পাৰিম। এনে এটা পৰিবেশ আমি আগতে পোৱা হ'লে কেতিয়াও কা আইন গৃহীত নহলহেঁতেন। এতিয়া আমাৰ হাতত আসন আছে। এতিয়া আমাক বিৰোধী হিচাপে আমাৰ ভূমিকা গ্ৰহণ কৰিবলৈ সুবিধা দিয়ে তেন্তে আমি অসম বিৰোধী আইন কেতিয়াও পাছ হ'বলৈ নিদিওঁ। সংবাদ মাধ্যমৰ আগত উক্ত বক্তব্য প্ৰদানৰ পাছতেই সাংসদ গৰাকীক মাজুলী জিলা কংগ্ৰেছৰ লগতে তেখেতৰ শুভাকাংক্ষী সকলে উষ্ম আদৰণি জনোই।

# বানপানীৰ প্ৰস্তুতি সন্দৰ্ভত কামৰূপ(ম) জিলা প্ৰশাসনৰ সভা




ৰঙিলী বাৰ্তাসেৱা- কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া অজিত শৰ্মাৰ অধ্যক্ষতাত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন সভা অনুষ্ঠিত হয় । সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে আগন্তুক সম্ভাব্য বানপানীৰ সময়ত বিভিন্ন বিভাগসমূহে লবলগীয়া দায়িত্বসমূহৰ কথা উল্লেখ কৰে । তদুপৰি কিছুদিন পূৰ্বে হৈ যোৱা প্ৰলয়ংকাৰী ঘূৰ্ণী বতাহ "ৰেমল"ৰ ফলত ক্ষতিগ্ৰস্ত হোৱা এলেকাসমূহৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে লোৱা পদক্ষেপৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীৰ শলাগ লয় । একেদৰে ধুমুহা, বানপানী, ভূমিস্খলনৰ ফলত কামৰূপ মহানগৰ জিলাৰ অধিক ক্ষতিগ্ৰস্ত হ'বপৰা এলেকাসমূহৰ জনসাধাৰণক আশ্ৰয় শিবিৰলৈ স্থানান্তৰ কৰাৰ কথা ব্যক্ত কৰে । জিলাখনৰ অধীনস্থ ৰাজহ চক্ৰ বিষয়াসকলকো যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে সাজু থাকিবলৈ *(দহ পৃষ্ঠাত চাওক)*

# হৰ্ষোল্লাসেৰে উন্মোচিত হ'ল হিন্দী শিশু চলচ্চিত্ৰ "ইউ আৰ মাইন"ৰ পোষ্টাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰেট ৰেচ ফ্ৰেমছৰ সহযোগত সুবীৰ ৰাজীৱ প্ৰডাকচনে ৬ জুনত গুৱাহাটীত যথেষ্ট উৎসাহ-উদ্দীপনাৰে তেওঁলোকৰ আহিবলগীয়া হিন্দী শিশু চলচ্চিত্ৰ "ইউ আৰ মাইন"ৰ পোষ্টাৰ উন্মোচন কৰে। অনুষ্ঠানটো চলচ্চিত্ৰপ্ৰেমী, সংবাদ মাধ্যমৰ কৰ্মচাৰী আৰু চলচ্চিত্ৰখনৰ সমূহ কলাকুশলী তথা কৰ্মচাৰীয়ে প্ৰশংসাৰে ওপচাই পেলায়। সুমন অধিকাৰীৰ দ্বাৰা পৰিচালিত আৰু সুবীৰ দত্তৰ দ্বাৰা প্ৰযোজিত, "ইউ আৰ মাইন" হৈছে অসমৰ মাজুলীৰ মনোৰম দৃশ্যপটত নিৰ্মিত এক হৃদয়স্পৰ্শী কাহিনী। সমগ্ৰ গাঁওৰ আদৰৰ জী, ১২ বছৰীয়া উৎসাহী ছোৱালী মিছমিৰ চৌপাশে ঘূৰি থকা এটি স্পৰ্শকাতৰ কাহিনীৰ সৈতে সংযোজিত হোৱা আন চৰিত্ৰসমূহে প্ৰতিগৰাকী দৰ্শকক আকৰ্ষিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কম বয়সতে অনাথ হোৱা মিছমি তাইৰ মৰমীয়াল আইতাকৰ সৈতে বাস কৰে। সময়ৰ লগে লগে মিছমিয়ে ক্ৰমান্বয়ে প্ৰকৃতি আৰু তাইৰ উজ্জ্বল সপোনৰ সৈতে এক গভীৰ সম্পৰ্ক গঢ়ি তোলে। নিষ্কলুষ আৰু কল্পনাৰে ভৰা তাইৰ জীৱনটোৱে বাস্তৱ (দহ পৃষ্ঠাত চাওক)

# জনসাৰথিৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ গণেশ- পাৰাস্থিত বেচৰকাৰী সংস্থা 'জনসাৰথি'ৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ চৌহদত গছপুলি ৰোপন কৰা হয়। উক্ত কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰানজিৎ নাথ, অধ্যাপিকা ড° মালাবিকা শৰ্মা, পাৰিষদ মঞ্জুলা দেৱী, জনসাৰথিৰ সম্পাদক মুকুতা ডেকা, সৌৰভ ঝুন ঝুন বালাৰ উপস্থিতিত কেইজোপামান গছপুলি ৰোপন কৰা হয়। কাৰ্যসূচীত উপস্থিত বিশিষ্ট ব্যক্তিসকলে কয়- মহাবিদ্যালয়ৰ চৌহদত ফলৰ গছবোৰ ডাঙৰ হোৱাৰ পাছত সুন্দৰ পৰিৱেশ, প্ৰদূষণ মুক্ত হোৱাৰ লগতে ছাত্ৰ- ছাত্ৰীসকলে গোলকীয় উষতাৰ পৰা হাত সাৰিব পাৰিব। মানৱ জীৱ সুস্থ সবল নিৰোগী জীৱন যাপন কৰিবলৈ হ'লে গছপুলি ৰোপন কৰিলেহে গছে মানুহৰ প্ৰয়োজনীয় বস্তু প্ৰদান কৰে। গোলকীয় উষতাৰ পৰা হাত সাৰিবলৈ আৰু প্ৰদূষণমুক্ত হোৱাৰ বাবে গছপুলি ৰোপন কৰাটো আৰু সংৰক্ষণ কৰাটো প্ৰত্যেক ব্যক্তিৰ দায়িত্ব আৰু কৰ্তব্য।

# শোণিতপুৰ, ডিব্ৰুগড় লোকসভাৰ ভোটাৰলৈ আপৰ কৃতজ্ঞতা

ৰঙিলী বাৰ্ত্তাসেৱা- "সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত অসমৰ শোণিতপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ আপৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্য আৰু মনোজ ধানোৱাৰক ভোট দি ৰাজ্যত আম আদমী পাৰ্টিক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে দলৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে দুয়োটা লোকসভা সমষ্টিৰ ভোটাৰক ধন্যবাদ জ্ঞাপন কৰে। নিৰ্বাচনত আপৰ দুয়োগৰাকী প্ৰাৰ্থীয়ে দলৰ প্ৰাৰ্থিত্ব লাভৰ পাছৰে পৰা নিৰৱচ্ছিন্নভাৱে বিজয়ৰ লক্ষ্যৰে কাম কৰিছিল। ডিব্ৰুগড়ত প্ৰাৰ্থী মনোজ ধানোৱাৰে ১ লাখ ৩৭ হাজাৰ আৰু শোণিতপুৰত ঋষিৰাজ কৌণ্ডিন্যই ৩৪ হাজাৰ ভোট লাভ কৰে। দলৰ প্ৰতি নিস্বাৰ্থ সমৰ্থন আগবঢ়োৱা ভোটাৰ তথা সৰ্বসাধাৰণ ৰাইজক আপ অসমৰ সভাপতি ডাঃ ভবেন চৌধুৰীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন




কৰে। ৰাজ্যিক সভাপতি গৰাকীয়ে দলৰ সৰ্বস্তৰৰ কৰ্মী তথা সংবাদ মাধ্যমৰ সহযোগিতাৰ বাবেও কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয়, " আম আদমী পাৰ্টিয়ে সৰ্বমুঠ ২২ টা লোকসভা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰি মাথোঁ পঞ্জাবৰ পৰা ৩ খন আসনত বিজয় সাব্যস্ত কৰিছে। কিন্তু শতাংশ হিচাপে আমাৰ ভোটৰ হাৰ বৃদ্ধি পাইছে। দিল্লীতো আপৰ ২০ শতাংশৰ পৰা ২৮ শতাংশলৈকে বৃদ্ধি পাইছে। গুজৰাট আৰু হাৰিয়ানাতো আমাৰ প্ৰাৰ্থী দুজনে অতি কম ব্যৱধানত পৰাজিত হৈছে। এই নিৰ্বাচনৰ ফলাফলে আমাৰ দলৰ নেতা- কৰ্মী সকলক নতুনকৈ শক্তি আহৰণৰ বাবে উৎসাহিত কৰিছে।" দলৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে অসমত পঞ্চায়ত নিৰ্বাচনৰ বাবে এতিয়াৰ পৰাই দলে প্ৰস্তুতি চলোৱা বুলি উল্লেখ কৰে। তদুপৰি ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া অসম বিধান সভাৰ নিৰ্বাচনৰ বাবেও দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ কাম-কাজ আৰম্ভ কৰিছে। ইতিমধ্যে আপৰ ৰাজ্যিক সমিতিয়ে ৰাজ্যজুৰি ব্যাপক সভ্য ভৰ্তি অভিযানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উক্ত সংবাদমেলত দলৰ ৰাজ্যিক সাংগঠনিক সম্পাদক অম্লানজ্যোতি হাতীবৰুৱা, মুখপাত্ৰ জাৱম কুটুমো উপস্থিত থাকে ।

# অসমৰ বিভিন্ন মহাবিদ্যালয় বিশ্ববিদ্যালয়ত এবিভিপিৰ বিশ্ব পৰিৱেশ দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- পৰিৱেশ সুৰক্ষা আৰু সজাগতাৰ বাবে সমগ্ৰ বিশ্বতে ৫ জুন তাৰিখে অনুষ্ঠিত কৰি অহা বিশ্ব পৰিৱেশ দিৱস আজি অসম বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত বৃক্ষৰোপণ কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। বিদ্যাৰ্থী পৰিষদৰ কাৰ্যকৰ্তা সকলে নিজৰ নিজৰ শিক্ষানুষ্ঠানত ৰাতিপুৱাৰ ভাগত বিভিন্ন ছাত্ৰ ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰী সকলৰ সহযোগত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয়। এই পৰিৱেশ দিৱসৰ দিনা গুৱাহাটী মহানগৰীৰ কটন বিশ্ববিদ্যালয়ৰ, মাধৱদেৱ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, গুৱাহাটী কমাৰ্চ কলেজ, কে চি দাস কমাৰ্চ কলেজ, পাণ্ডু মহাবিদ্যালয়, গোৱালপাৰাৰ লক্ষীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়কে আদি কৰি বিভিন্ন শিক্ষানুষ্ঠানত বৃক্ষৰোপণ কৰা হয়।

# 'মোৰ ওপৰত অটুট আস্থা-বিশ্বাস ৰাখি অভূতপূৰ্ব মৰম-সমৰ্থনেৰে বিজয়ী কৰোৱাৰ বাবে ডিব্ৰুগড়ৰ ৰাইজক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ': সৰ্বানন্দ সোণোৱাল

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় লোকসভা সমষ্টিত বিজেপি নেতৃত্বাধীন এনডিএ-ৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে ব্যাপক ব্যৱধানত জয়ী হোৱাৰ পাছত তেখেতে কয়, 'ধন্যবাদ ডিব্ৰুগড়! আপোনালোকৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰিবলৈ আপোনালোকে মোৰ ওপৰত অটুট আস্থা-বিশ্বাস ৰাখি অভূতপূৰ্ব মৰম-সমৰ্থনেৰে বিজয়ী কৰোৱাৰ বাবে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ডিব্ৰুগড়ৰ ঐতিহ্যক উজ্জীৱিত কৰি সৰ্বাংগীণ বিকাশৰ যাত্ৰাক এক নতুন শিখৰত উপনীত কৰিবলৈ মই বদ্ধপৰিকৰ। আকৌ এবাৰ দেশমাতৃৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নড্ডাক গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে এনডিএ-ৰ কাৰ্যকৰ্তাসকলকো তেওঁলোকৰ কঠোৰ পৰিশ্ৰম, সমৰ্পিত সেৱাৰ বাবে অশেষ ধন্যবাদ জনাইছোঁ। এখন বিকশিত, আত্মনিৰ্ভৰ আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ বাবে সৰ্বস্তৰৰ লোকক লগত লৈ আমি ঐক্যবদ্ধভাৱে আগুৱাই যাম।'



# গ্ৰাছৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস, নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰকৃতিক সেউজীয়া কৰি ৰখাৰ উদ্দেশ্যেৰে জন্ম লোৱা উজনি অসমৰ অন্যতম উল্লেখযোগ্য স্বেচ্ছাসেৱী সংগঠন 'গ্ৰাছ' অৰ্থাৎ "গ্ৰীণ ৰিভলিউশ্যনাৰী এডমিৰেবল চিৰিণ ছ'চাইটী, বোকাখাত"-নামৰ সংগঠনটোৱে প্ৰতি বছৰৰ দৰে সংগঠনটোৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস, বিশ্ব পৰিবেশ দিৱস, নৱনিৰ্মিত কাৰ্যালয় গৃহ উদ্বোধন, গ্ৰন্থ উন্মোচন, বঁটা প্ৰদান আদি বিভিন্ন কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণভাৱে উদযাপন কৰে। এই উদ্দেশ্যে পুৱা ৯ বজাত গ্ৰাছৰ পতাকা উত্তোলন কৰে সংগঠনটোৰ সভাপতি অংকুৰ বৰঠাকুৰে। ইয়াৰ পিছতে বোকাখাতৰ লতাবাৰী শ্মশানত বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰে। শিলিখা, আমলখী, মধুৰীআম, কৃষ্ণচূড়া, ৰাধাচূড়া আদি মূল্যৱান গছ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গ্ৰাছৰ শুভাকাংক্ষী, বিশিষ্ট সমাজকৰ্মী অজিত জালানে। বোকাখাতৰ মাজমজিয়াত নৱনিৰ্মিত গ্ৰাছৰ স্থায়ী কাৰ্যালয় গৃহৰ দ্বাৰ উন্মোচন কৰে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই। বন্তি প্ৰজ্বলন কৰে বোকাখাত মহকুমা সাংবাদিক সংস্থাৰ সভাপতি বুবুল দত্তই। বিগত বৰ্ষৰ দৰেই ২০২৪ বৰ্ষৰ ধনিল বৰঠাকুৰ সোঁৱৰণী 'গ্ৰাছ গ্ৰীণ এৱাৰ্ড' প্ৰদান কৰে গোলাঘাট জিলাৰ মহুৰামুখৰ বিশিষ্ট চিত্ৰশিল্পী, পৰিৱেশ কৰ্মী বদন দাসক, কমলেশ্বৰ বৰাৰ সোঁৱৰণী 'গ্ৰাছ ফাৰ্মাৰ এৱাৰ্ড' বোকাখাত উপ-জিলাৰ চহলা দীঘলীআটি গাঁৱৰ আদৰ্শ কৃষক, ব্যৱসায়ী ৰাজীৱ ছেত্ৰীক প্ৰদান কৰে। এখনি ফুলাম গামোচা, এটি স্মাৰক, মানপত্ৰ আৰু ধগদ ধনেৰে বঁটাপ্ৰাপকসকলক সন্মানিত কৰা হয়। যোৱা ৮ মাৰ্চত গ্ৰাছৰ উদ্যোগত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক নাৰী দিৱসত নুমলী হাজৰিকা সোঁৱৰণী 'গ্ৰাছ ৱমেন এৱাৰ্ড' প্ৰদান কৰিছিল বিশিষ্ট লেখিকা, পৰিৱেশকৰ্মী গিৰিমল্লিকা শইকীয়াক। একেটা বৰ্ষতে থানেশ্বৰ ভূঞা সোঁৱৰণী 'গ্ৰাছ নিৰ্মল সেউজ বঁটা' ৫ ছেপ্টেম্বৰত শিক্ষক দিৱসৰ দিনা বঁটা প্ৰাপ্ত বিদ্যালয়খনক নিজৰ বিদ্যালয়তে প্ৰদান কৰিব বুলি জনায়। কবি, নাট্যকাৰ, সাংবাদিক অমৰ শৰ্মাই আঁত ধৰা সভাখনৰ সভাপতিৰ আসন শুৱনি কৰে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই। উদ্দেশ্য ব্যাখ্যা কৰে গ্ৰাছৰ সম্পাদক ইন্দ্ৰেশ্বৰ বৰাই। ৫ জুন, বিশ্ব পৰিবেশ দিৱসৰ বিশেষত্ব বিষয়ক বক্তব্য প্ৰদান কৰে গ্ৰাছৰ উপদেষ্টা বুবুল দত্ত, জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি আনিচুৰ ৰহমান, প্ৰেছ ক্লাৱৰ সভাপতি ভবানন্দ কলিতা, বিশিষ্ট সমাজকৰ্মী অনিমেষ শইকীয়া আদিয়ে । উক্ত অনুষ্ঠানতে গ্ৰাছৰ দ্বাৰা প্ৰকাশিত জ্যেষ্ঠ সাংবাদিক ভবানন্দ কলিতাৰ নৱতম গ্ৰন্থ 'সময়ৰ বোকোচাত' উন্মোচন কৰে গোলাঘাটৰ বিশিষ্ট পৰিৱেশকৰ্মী, সাংবাদিক পেঞ্চনাৰ অপূৰ্ব বল্লভ গোস্বামীয়ে। গ্ৰন্থ উন্মোচন কৰি গোস্বামীয়ে ভবানন্দ কলিতাৰ এই গ্ৰন্থখন

(দহ পৃষ্ঠাত চাওক)

# ঠিকাদাৰ সুনীল গগৈৰ হত্যাৰ ন্যায়িক তদন্ত দাবী আপৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ঢকুৱাখনাৰ জলজীৱনৰ ঠিকাদাৰ সুনীল গগৈৰ নৃশংস হত্যাকাণ্ডই ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিয়ন্ত্ৰণত থকা গৃহদপ্তৰৰ চৰম ব্যৰ্থতা উদঙাই দিছে। ঢকুৱাখনা মহকুমাৰ নাহৰণি পথাৰত ঘিলামৰা জলজীৱন মিছনৰ ঠিকাদাৰ সুনীল গগৈয়ে কিছুদিনৰ পূৰ্বে এগৰাকী দুৰ্নীতিগ্ৰস্ত অভিযন্তাক ভিজিলেঞ্চৰ হাতত ধৰাই দিছিল। সেইবাবেই তেওঁ এনে জঘন্য হত্যাকাণ্ডৰ বলি হোৱা বুলি সন্দেহ কৰা হৈছে। এক প্ৰেছ বিজ্ঞপ্তি যোগে ঢকুৱাখনাৰ এই জঘন্য হত্যাকাণ্ডৰ তদন্তৰ দাবী জনায় আম আদমী পাৰ্টিৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে। প্ৰেছ বিজ্ঞপ্তিত ডাঃ চৌধুৰীয়ে কয়, " বৰ্তমান বিজেপি মিত্ৰজোঁট চৰকাৰৰ দিনত ৰাজ্যখনৰ সাধাৰণ নাগৰিকৰ জীৱনৰ নিৰাপত্তা নোহোৱা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নিজেই গৃহ দপ্তৰৰ দায়িত্বত আছে। মুখ্যমন্ত্ৰী আৰু তেওঁৰ গৃহ দপ্তৰে সাধাৰণ নাগৰিকৰ জীৱন জীৱিকাৰ নিৰাপত্তা প্ৰদানত চৰকাৰৰ ব্যৰ্থতাৰ উপৰি ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতিৰ ক্ষেত্ৰত নৈতিক দায়িত্ব অস্বীকাৰ কৰিব নোৱাৰে।" আম আদমী পাৰ্টিৰ অসম ৰাজ্যিক সমিতিয়ে জলজীৱন মিছনৰ ঠিকাদাৰ সুনীল গগৈৰ হত্যাৰ ন্যায়িক তদন্তৰ দাবী কৰে। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰি অপৰাধীক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদান কৰিবলৈ আপৰ ৰাজ্যিক সভাপতি গৰাকীয়ে চৰকাৰক দাবী জনায়। নিহত ঠিকাদাৰ সুনীল গগৈৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণৰ লগতে পৰিয়ালৰ লোকৰ সংস্থাপনৰ ব্যৱস্থা কৰিবলৈও আপ অসমৰ সভাপতি ডাঃ ভবেন চৌধুৰীয়ে দাবী জনায়।

# পদ্মশ্ৰী বিৰুবালা ৰাভাক অগপৰ গভীৰ শ্ৰদ্ধাঞ্জলি

ৰঙিলী বাৰ্ত্তাসেৱা- ডাইনী-অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে নিৰ্ভীক-আপোচহীনভাবে যুঁজ দি চলিত বৰ্ষৰ ১৩ মে'ত এই সংসাৰৰ পৰা বিদায় মগা মানৱতাবাদৰ উৎকৃষ্ট নিদৰ্শক, সমাজসেৱিকা বিৰুবালা ৰাভাক আজি অসম গণ পৰিষদ দলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গোৱালপাৰা জিলাৰ ঠাকুৰবিলা ৰাজহুৱা খেলপথাৰত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ লগতে কেইবাটাও সংগঠনে আয়োজন কৰা ৰাজহুৱা স্মৃতিচাৰণ সভাত অগপৰ এটা প্ৰতিনিধি দল উপস্থিত হৈ এইগৰাকী মহান মনিষীক শ্ৰদ্ধাঞ্জলি জনায়। ২০২১ বৰ্ষত ভাৰত চৰকাৰে সমাজসেৱা শিতানত পদ্মশ্ৰী




বঁটাৰে সন্মানীত কৰা বিৰুবালা ৰাভাৰ মহাপ্ৰস্থানত অসম গণ পৰিষদ দল অতিকৈ মৰ্মাহত হৈ পৰিছে। বিৰুবালা ৰাভা কায়িকভাবে আঁতৰি গ'লেও তেওঁৰ সমাজ সংস্কাৰধৰ্মী আদৰ্শ আৰু চিন্তা চিৰজ্যোতিষ্মান হৈ থাকিব বুলি অসম গণ পৰিষদ দলে বিশ্বাস কৰে। স্মৃতিচাৰণ সভাত অগপৰ উপ-সভাপতি জ্যোতিশ দাস, অপূৰ্ব ভট্টাচাৰ্য, সাধাৰণ সম্পাদক সত্যব্ৰত কলিতা, ভূপেন ৰয়, তথ্য আৰু প্ৰচাৰ সম্পাদক অংশুমান দত্ত আৰু অগপৰ গোৱালপাৰা জিলাৰ সভাপতি জিতেন দাস উপস্থিত থাকি এই মহান মনিষীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়।

# মহানগৰী চচলত বিশ্ব পৰিৱেশ দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- "আমাৰ ভৱিষ্যত আমাৰ ভূমি, পুনৰুদ্ধাৰৰ প্ৰজন্ম আমি" - মূলমন্ত্ৰলৈ সমগ্ৰ বিশ্বতে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস উদযাপিত হৈছে। ইয়াৰ অংশ হিচাপে বৃহত্তৰ চচল জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত স্বেচ্ছাসেৱী অনুষ্ঠান সুৰক্ষা আৰু টেপুৰাম টেৰণ হাইস্কুলৰ সহযোগত দিনযোৰা কাৰ্যসূচীৰে শতাধিক লোকৰ উপস্থিতিত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে স্কুলৰ চৌহদত শতাধিক বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপন কৰাৰ লগতে পুলিসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰি চৌদিশ নেট আৰু বাঁহেৰে ঘেৰ দিয়া হয়। এই কাৰ্যসূচীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, উদ্যোক্তা আৰু সহযোগী অনুষ্ঠানৰ উদ্যোক্তামণ্ডলীয়ে অংশগ্ৰহণ কৰে। গছপুলি ৰোপন কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট পৰিবেশ বিজ্ঞানী ড° কৃষ্ণগোপাল ভট্টাচাৰ্যই । গছপুলি ৰোপন কাৰ্যসূচীৰ পিচতে পৰিৱেশ সংৰক্ষণ আৰু সজাগতাৰ ওপৰত এক মননশীল আলোচনা চক্ৰ বৃহত্তৰ চচল জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সম্পাদক ডা° বুধিন শইকীয়াৰ সঞ্চলনাত অনুষ্ঠিত হয় । আলোচনা চক্ৰৰ মুখ্য আলোচক হিচাপে বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° কৃষ্ণগোপাল ভট্টাচাৰ্যই পৰিৱশৰ সংৰক্ষণ আৰু সজাগতা, গোলকীয়কৰণৰ উষ্ণতা বৃদ্ধিৰ কাৰণ আৰু ইয়াৰ পৰিত্ৰাণৰ উপায় বিষয়ৰ ওপৰত এক তত্বগধুৰ বক্তৃতাৰে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। আলোচনা চক্ৰত বিষয়বস্তুৰ ওপৰত টেপুৰাম টেৰণ হাইস্কুল পৰিচলনা সমিতিৰ সভাপতি থানেশ্বৰ মালাকাৰ, স্বেচ্ছাসেৱী অনুষ্ঠান সুৰক্ষাৰ সভাপতি তথা বিশিষ্ট পশুবিজ্ঞানী ড° মিনেশ্বৰ হাজৰিকাই বিষয়বস্তুৰ ওপৰত বক্তৃতা আগবঢ়ায় । অনুষ্ঠানত চচল জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি কুমুদেশ্বৰ শৰ্মা, চচল নামঘৰ সমিতিৰ সভাপতি ড° নব নাহৰডেকা, ওপৰ চচল বিহু সন্মিলনৰ সভাপতি পৰণ বুঢ়াগোঁহাইৰ লগতে চচল জেষ্ঠ নাগৰিক সন্মিলন, চচল শতদল শাখা সাহিত্য সভা, ওপৰ চচল বিহু সন্মিলন, চচল ৰাজহুৱা নামঘৰ সমিতি, চচল শাখা লেখিকা সমাৰোহ, চচল মহিলা কৃষ্টি সমাজ আৰু সুৰক্ষাৰ কৰ্মকৰ্তাসকল, টেপুৰাম টেৰণ হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আদি উপস্থিত থাকে ।

# আনৰ উন্নতি হোৱা দেখিলে আমাৰ হিংসা উপজে




**শৈলেন কুমাৰ, মিৰ্জা**

সকলোৰে মনত উদ্ভৱ হোৱা এটা প্ৰশ্ন, মোৰ কিবা উন্নতি হোৱা দেখিলে বাকীবোৰে জ্বলি পুৰি মৰে তেনেকুৱা অনুভৱ প্ৰায়ভাগেই নহয়নে বাৰু ? ওচৰচুবুৰীয়াৰ এজনে এখন দামী গাড়ী কিনিছে আৰু ৰাষ্টাত চলাইছে কিন্তু গাড়ীখন যেন আপোনাৰ বুকুৰ মাজভাগৰে চলিছে, অসহনীয় বেদনা । কোনোবা সহপাঠীৰ কৰ্মত পদোন্নতি হৈছে, দেহাটো একদম পুৰি ছাঁই যেন হৈছে । আমুকাই ডাঙৰ অট্টালিকা বনাইছে, আমুকাৰ লৰাছোৱালী বিদেশত ডক্টৰ পঢ়ি আছে ইত্যাদি। আৰু কিমান যে দুখ বেদনাই আমাক দিনৰ দিনটো ভাৰাক্ৰান্ত কৰি ৰাখে। যেন সকলোতে একপ্ৰকাৰ খোৰাকামোৰা হে লাগিছে । কেতিয়াবা আপুনি আনক চাবলৈ এৰি নিজক চাই পাইছেনে? কেতিয়াবা আপুনি ভাবি চাইছেনে আপুনি আজি যিটো অৱস্থানত আছে তাতকৈও যে কোনোবাই দুৰ্বিষহ জীৱন কটাই আছে। আপোনাৰ অহংকাৰে আপোনাক সন্তুষ্ট হবলৈ অথবা সৰু হৈ ভাবি চাবলৈ অনুমতি নিদিয়ে। একতা আমাৰ মুঠেই প্ৰিয় নহয়, মানৱীয় দৃষ্টিভংগী আমি কেতিয়াবাই পাহৰিছোঁ। এতিয়া কেৱল স্বাৰ্থপৰতাৰ অন্ধ যুঁজ কেওফালে। আমাৰ সন্তুষ্টি ক'ত? ওচৰ চুবুৰীয়া আৰু সহপাঠী সকলোৰ ওপৰত কেনেকৈ থাকিব পাৰোঁ সেয়া আমাৰ সন্তুষ্টিৰ পৰম চিন্তা। আনক কেনেকৈ নিন্দা, পৰচৰ্চা, নিৰ্যাতন কৰি দমন কৰিব পাৰি আদি চিন্তাই মুৰত খুন্দিয়াই থাকে নহয়নে আৰু যদি আপোনাৰ কুকাৰ্যত কেনেবাকৈ সফলতা পালে তেতিয়াটো আপুনি অৱংশৰ স্বঘোষিত ৰজা হৈ পৰে ৰাতিৰ ভাতগৰাহ বেছিকৈ আৰু তৃপ্তিৰে গ্ৰহণ কৰে । আমি সম্ভ্ৰান্ত ঘৰৰ সংস্কাৰ থকা মানুহ বেয়া কথা চিন্তা কৰা তথা আনৰ বেয়া হোৱাতো বিচৰা বিধৰ মানুহ আমি নহয় দেই । সমাজত আমাৰ মানসন্মান আছে। আপুনি এজন ভাল অভিনেতা হব পাৰে, ভদ্ৰতাৰ মুখাপিন্ধা আপোনাৰ ভিতৰচৰাত কিমান আৱৰ্জনা সোমাই আছে, দুখীয়া তথা আপোনাৰ তলতীয়া সকলোক আপুনি কি ব্যৱহাৰ ক'ৰে, কি দৃষ্টিৰে চাই সেইবোৰ কথা নকলেও হব। ভদ্ৰতাৰ মুখাপিন্ধা সম্ভ্ৰান্ত পুজিপতি সকলৰ ভোগ আৰু কামনাৰ বলি আজিৰ সমাজ, জগত তথা দুখীয়া নীৰিহ জনতা। নিজক শ্ৰেষ্ঠতম সজোৱাৰ দৌৰত, সকলোৰে লগত প্ৰতিযোগিতা কৰি আমি কি হেৰুৱাইছো আমি নিজেই নেজানো ।মানুহ হৈ আমি মানৱতা পাহৰি পেলাইছোঁ । আনৰ লগত প্ৰতিযোগিতা কৰিবলৈ গৈ আমি নিজস্ব সম্ভাৱনাৰ পৰা বঞ্চিত হৈছোঁ। আমাৰ যদি সম্ভাৱনা আছিল হিমালয় বগোৱাৰ, আমাৰ যদি সম্ভাৱনা আছিল বিশ্বদৰবাৰত উজ্জ্বলিত হোৱাৰ আমি ক্ষুদ্ৰ ওচৰচুবুৰীয়া আৰু সহপাঠী সকলোক নিজৰ বৰবৰতা দেখুৱাইয়ে ক্ষান্ত হৈ থাকিলোঁ। ক্ষুদ্ৰ ক্ষুদ্ৰ যুঁজত আমি মহাবীৰ পৰাক্ৰমী কিন্তু জীৱনৰ আচল যুদ্ধত পাৰদৰ্শিতা দেখুৱাবলৈ আমাৰ সৎসাহস নাই । সমাজত প্ৰচলিত সহজলভ্য জীৱনক সৎপথ নেদেখুৱা পদ্ধতিৰ অনুসৰণ কৰিবলৈ সহজ কিন্তু সোতৰ বিপৰীতে গৈ ব্যতিক্ৰম পন্থাৰে নিজক উজ্জ্বলিত কৰাটো বৰ কঠিন আৰু কণ্টকময় যেন লাগে।

# ভাগ্য

**অলকা বুজৰ বৰুৱা, টিহু**




ভাগ্যতকৈ ডাঙৰ স্কীপ ৰাইটাৰ আৰু কোনো নাই। তিনিটা বছৰৰ ভিতৰতে সুৰঞ্জনাৰ ঘৰখন উদং হৈ গ'ল। তিনিটাকৈ ল'ৰা আৰু স্বামী নিৰঞ্জন বৰুৱাই অগা পিছাকৈ তাইক চিৰদিনৰ বাবে অকলশৰীয়া কৰি গুছি গ'ল। এতিয়া প্ৰকাণ্ড ঘৰটোত তাই অকলে থাকে। কোনোদিনে কাৰো অন্যায় নকৰা মানুহজনীক নিষ্ঠুৰ নিয়তিয়ে এনেদৰে থেকেচি পেলাব বুলি তাই সপোনতো ভবা নাছিল । এসময়ৰ ৰঙ্গন জনাই থকা ঘৰৰ নিমাওমাও পৰিবেশত সুৰঞ্জনাই এতিয়া তাহানিৰ স্মৃতিবোৰকে বুকুত সাবটি জীয়াই থাকিবলৈ শিকি পেলাইছে ।

অণুগল্প

# লক্ষ্য

**যুগান্ত দাস**
**ভৱানীপুৰ, বজালী**

কি ও নৰেন গুৱাহাটী গৈ আমাক দেখোন একেবাৰে পাহৰিয়ে গ'লা। গুৱাহাটীত নো কি কৰা ? - "দীপকে নৰেনক সিঁহতৰ পদূলিত লগ পাই চাইকেলৰ পৰা নামি মাত লগালে।"

নৰেনে ক'লে-" কি নো কৰিম অটো খনলৈ তাকে চলাই আছো ? "

দীপকে পুনৰ ক'লে- "নৰেন তুমি স্কুলত পঢ়ি থাকোতে যেতিয়া চাৰে ডাঙৰ হৈ কি হ'বৰ মন সুধিছিল তেতিয়া কি কৈছিলা মনত আছেনে ?"

নৰেনে ক'লে- "আছে, কিয় নাথাকিব ! উৰাজাহাজৰ পাইলট হ'ম বুলি কৈছিলো।"

দীপকে ক'লে - "পাইলট হ'লা, পিছে উৰাজাহাজৰ নহয় তিনিচকীয়া অটোৰহে।"

নৰেনে এইবাৰ দীপকক সুধিলে- "তুমি কি কৈছিলা মনত আছেনে দিপক ?"

দীপকে তলমূৰ কৰি ক'লে -- "আছে, মাল্টিনেচনেল কোম্পানীৰ মালিক।"

নৰেনে ক'লে -- "এৰা, তোমাৰ এই চাইকেল খনেই তুমি কোৱাঁ তোমাৰ মাল্টিনেচনেল কোম্পানীতো নহয় জানো য'ত চাৰিওফালে সস্তীয়া সামগ্ৰী কিছুমান ওলোমাই লৈ দোৰ টু দোৰ বিক্ৰী কৰি ফুৰিছা।"

নৰেনৰ কথা শুনি দীপকৰ মুখৰ মাত হেৰাল।

# বৰষুণ জাক আহিলে

**যমুনা দুলু বৈশ্য**



তীব্ৰ বৰষুণ জাক আহিলে
ফেনে-ফোটোকাৰে প্ৰচণ্ড বান আহে
নদীৰ বুকেয়েদি,
শেলুৰৈ ধৰা উইচিৰিঙাৰ খুপনি পাতে
উটাই নিয়ে মাটিৰ শিপা ওপঙি গছ বিৰিখ
হেৰুৱাই পেলায় থৰকাচুটিৰে
মনৰ দোমাজত আঁকি ৰয়
শাশ্বত দুখৰ ভয়ানক ছবি,
সেন্দুৰীয়া সপোন বোৰ উদং হৈ ৰয়
চকু পানীৰে ভৰে
প্ৰেমৰ আখলত জ্বলে ভোকৰ তাড়না
অনুভৱী ৰং বোৰ বুজাব নোৱাৰা ক্ষণ চাই
পদূলীত গজে হেঁপাহ বোৰৰ স'তে
কিছু হেৰাই, কিছু সোঁৱৰণিত
পাবলৈ নাই অলপ সহানুভূতি, এধানি স্নেহ
এবাৰি মাত পাবলৈ বিচাৰে অমাতৰ মাত ।

# যিকোনো কামতে অহৰহ লাগি থকা উচিত

**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**



মোৰ মতে এই সংসাৰত জন্মসূত্ৰে কিছুমান মানুহে নিজ নিজ ব্যক্তিগত প্ৰতিভা সমূহ লগত লৈ আহে। কিন্তু প্ৰতিটো মানুহৰ ক্ষেত্ৰতে এই কথাবোৰ সমানে প্ৰযোজ্য নহয়। কাৰণ কিছুমান মানুহৰ জন্মগত প্ৰতিভাৰ অবিহনেই নিৰন্তৰ একেটা কাম কৰি থকাৰ ফলত এসময়ত গৈ সেই কৰি থকা কামত বহু দক্ষতাবোৰ অৰ্জন কৰিবলৈ সক্ষম হোৱা বৰ্তমান সময়তো নিজ চকুৰে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছোঁ নহয়নে ? আচলতে জন্মগতভাৱে নিজ নিজ প্ৰতিভা সমূহ লগত লৈ অহা এই সংসাৰত বহু কম মানুহ বিৰাজমান হৈ আছে । গতিকে আমি যদি জন্মগতভাৱে প্ৰতিভা সম্পন্ন ব্যক্তি নহলেও কোনো চিন্তাৰ কাৰণ নাই। কাৰণ নিৰন্তৰ একেটা কামকে অহৰহ লাগি থকাৰ ফলত আমি অন্যান্য সৰ্বসাধাৰণ মানুহৰ প্ৰতিভাবোৰৰ তুলনাত বহু ওপৰলৈ উঠি যাবলৈ নিশ্চয় এদিন সক্ষম হম।

এতিয়া কথা হল যিকোনো কামতে অহৰহ লাগি থকা উচিত কিন্তু ইয়াৰ আৰম্ভণি কেনেকৈ কৰোঁ তাৰ বাবে আমি নিজেই হতবুদ্ধি হৈ পৰোঁ। কিন্তু যিকোনো কাম কৰিবলৈ যাওঁতে হতাশ কেতিয়াও নহব। কাৰণ আপুনি যেতিয়া মনে মনে ভাবি

( ছয় পৃষ্ঠাত চাওক)

# তুমি যেন..

**নন্দেশ্বৰ মিলি**



তুমি যেন মোৰ মনৰ আকাশৰ এটি তৰা
জিলিকি জিলিকি থাকানা নিতৌ নিশা
জাগ্ৰত প্ৰহৰী হৈ মোক সোঁৱৰাই দিয়া
সেই মোৰ মাতাল সন্ধ্যা।
তুমি যেন মোৰ দাপোণৰ এটি প্ৰতিবিম্ব
দেখুৱাই দিয়ানা মোৰ দাগ লগা অংশ
জীৱনৰ অজান এটি মুহূৰ্ত্ত
য'ত মই হেৰুৱাইছোঁ নিজকে।
তুমি যেন শৰৎৰ কোমল এটি কহুঁৱা তুলা
নাচি-বাগি ফুৰা বতাহৰ স'তে
তোমাৰ শুভ্ৰ ৰঙেৰে জগাই তোলানা
মোৰ হৃদয়ত এটি মিঠা লহৰ।
তুমি যেন ফাগুনৰ এটি শিমলু হাঁহি
ৰঙীন কৰানা মোৰ মনৰ ভাবনা
শুষ্ক মোৰ আবেগৰ পথাৰত
উন্মনা কৰানা সৃষ্টি-বাসনা।
তুমি যেন মোৰ হেন্দোলিত আকাশ
বোৱাঁই দিয়ানা এটি হেঁপাহৰ বৃষ্টি
য'ত লহপহকৈ গজি উঠিব
মোৰ আশাৰ বীজ।
তুমি যেন মোৰ প্ৰিয় শব্দ
মোৰ দুওঁঠত উঠে স্পন্দন
হাচনহানাৰ নিশাৰ সুগন্ধ
আছে তোমাৰ স'তে সম্বন্ধ।
ফুটি উঠে সন্ধিয়াৰ ৰাগিণী
দুচকুত দুষ্টামি ভৰা চাৱনি
পাৰ কৰিব বিচাৰোঁ তোমাৰ স'তে
এটি কবিতা কবিতা লগা আবেলি।

# নিভাঁজ অনুভৱ

**সংগীতা ডেকা, ৰঙিয়া**



নীলিম প্ৰেয়সী নীলাভ প্ৰিয়া মই
ডাৱৰৰ শুভ্ৰতাত লুকাই থৈছোঁ
সাতোৰঙী সপোনৰ এমুঠি আশা.... !
আকাশৰ সীমনাত মেলি দিম আজি,
কবিতা কবিতা লগা
এক অজান শিহৰণ.....
তুমি বাৰু সজাবানে ?
মোৰ শব্দৰ বিন্যাসত
তোমাৰ হৃদয়ৰ
সেই নিভাঁজ অনুভৱক ?

# মন জুৰোৱা এখন গাঁওৰ কাহিনী আগবঢ়ালোঁ

**অনামিকা কলিতা,শুৱালকুছি**



মানুহ জীৱ শ্ৰেষ্ঠ বুলি কয়। কিছুমান ব্যক্তিৰ অশেষ শ্ৰম সৎ কৰ্মৰ দ্বাৰাই এখন গাঁও পৃথিৱী বিখ্যাত হব পাৰিছে সেই গাঁওখনৰ কাহিনী বিভিন্ন ভাষাৰ কিতাপৰ পৃষ্ঠাত লিপিবদ্ধ হৈছে। তেনে এখন গাঁওৰ বিষয়ে অকণমান তথ্য দাঙি ধৰিলো।

ৰাজস্থানৰ ৰাজধানী জয়পুৰৰ পৰা ৩৫০কি:মি: আঁতৰৰ ৰাজছমন্দ নামৰ জিলা খনৰ অন্তৰ্গত, উদয়পুৰৰ পৰা সাত কিলোমিটাৰ দূৰত পিপলান্ত্ৰিক গাঁও। এই গাঁওখন পৃথিৱীৰ ভিতৰতে আদৰ্শ গাঁও হিচাপে পৰিচিত হৈছে ইয়াৰ অন্তৰালত এজন ব্যক্তিৰ অক্লান্ত শ্ৰমৰ অৱদান। নাম শ্যাম সুন্দৰ পলিৱাল। মাৰ্বল পাথৰৰ খনিৰ কাৰণে "গ্ৰীনিজ ৱৰ্ল্ড ৰেকৰ্ডত" স্থান লাভ কৰা গাঁও খনৰ অৱস্থা অতি দুখলগা আছিল। এই মাৰ্বল পাথৰৰ বৃহৎ খনিবোৰৰ ফলত, গাঁও খনৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হয়। গছ-গছনিৰ সংখ্যা কমিল, পুখুৰী, জলাশয় পানী শুকাই গ'ল। ভূ-গৰ্ভৰ পানী ৮০০ফুট পৰ্য্যন্ত তললৈ নামি গৈছিল। বিশুদ্ধ খোৱা পানী এটু পীৱ কাৰণে হাহাকাৰ হৈছিল। মানুহবোৰৰ স্বাস্থ্য অৱনতি হৈছিল। কিন্তু সেই গাঁওৰ শ্যাম পলিৱাল নামৰ ব্যক্তিজনে, গাঁওৰ অৱস্থা ভালৰ কাৰণে চিন্তা কৰিব ধৰিলে। ২০০৫চনত গাঁওৰ মুখিয়াল দায়িত্ব দিলে গাঁও বাসীয়ে। সেই সময়তে তেওঁৰ ছোৱালী জনীৰ বেমাৰ হৈ মৃত্যু হ'ল। মৃত্যুৰ দিনা তেওঁ এজোপা গছ পুলি ৰোপণ কৰে। সেই দিনাই তেওঁ নতুন নিয়ম আৰম্ভ কৰে, গাঁওত ছোৱালী জন্ম পালে ১১১জোপা গছ পুলি ৰাইজে মিলি ৰোপন কৰিব। সেই গছ পুলি বোৰ সকলোৱে প্ৰতিপালন কৰিব লাগিব।

গাঁও খনত তেওঁ চাৰিটা নিয়ম কৰে

১) কন্যা সন্তানক ল'ৰাৰ দৰে পঢ়াই-শুনাই ডাঙৰ কৰা।
২) গছ-গছনিৰ ৰুই প্ৰতিপালন কৰা
৩) পানী সংৰক্ষণ
৪) সকলোৱে খেতি বাতি কৰি নিজৰ অভাৱ পূৰণ কৰা।
৫) ভ্ৰূণ হত্যা বন্ধ।

ছোৱালী জন্ম পালে, সেই ছোৱালী জনীৰ নামত গাঁওৰ মানুহ খিনি লগলাগি পইচা উঠাই, সেই পইচাতো ছোৱালী জনীৰ নামত বেংকত থয় আৰু মাক- দেউতাকৰ হাতত বহীটো জমা দিয়ে । সেই পইছাখিনি তাই উপযুক্ত হ'লে নিজে চহী মাৰি উলিয়াব পাৰিব মাক দেউতাকে নোৱাৰে। গছ পুলি ৰুই সংৰক্ষণ কৰা মাক দেউতাক বোৰকো দায়িত্ব দিলে।

এনে কিছুমান নিয়মৰ ফলত কম দিনৰ ভিতৰতে প্ৰাকৃতিক পৰিৱেশ সুন্দৰ হ'ল। ভূ-পৃষ্ঠা পানী উপৰলৈ উঠিল। জীৱ জন্তু, চৰাই চিৰিকতি এক মনোমোহা পৰিৱেশ বিৰাজ কৰিলে। চৰকাৰে গম পাই মাৰ্বল খনিবোৰ বন্ধ কৰি দিলে। ২০০৭চনত ৰাষ্ট্ৰপতি আব্দুল কালামে পিপলান্ত্ৰিক গাঁও খনলৈ ৰাষ্ট্ৰপতি পুৰস্কাৰ আগবঢ়াইছিল। খুব সুন্দৰ চাফ চিকুনকৈ ৰখা পিপলান্ত্ৰিক গাঁও খন বাতৰি/ ইউটিব সকলোতে প্ৰচাৰিত হয়। আনকি আৰ্জেটিনা এটা দলে সেই গাঁওখনক লৈ "Tree Sisters" নামৰ এখন চিনেমা নিৰ্মাণ কৰে। শ্যাম পলিৱালৰ প্ৰচেষ্টা কাৰণে সম্ভৱ হ'ল। ছোৱালী জন্মত ১১১টা গছ পুলি ৰোপণ আৰু গাঁওৰ কোনো লোকৰ মৃত্যুৰ ১১টা গছ পুলি ৰোপণ কৰা, তদাৰক কৰা সুন্দৰ উদাহৰণ। ছোৱালী জনী জন্ম পালে গাঁও পঞ্চায়তে ছোৱালী জনীৰ নামত ৩৫হাজাৰ টকা ফিক্স কৰি দিয়া । গাঁও খনৰ বিষয়ে সেই ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত। খুব সুন্দৰ পদক্ষেপ।

# যিকোনো কামতে অহৰ

থাকে মই একোকে নাজানো বুলি সেইখিনি সময়ত আপোনাতকৈ কমজ্ঞানী বা কম বুদ্ধি সম্পন্ন ব্যক্তি এজনে কেৱল মাত্ৰ নিজৰ দৃঢ় আত্মবিশ্বাসৰ ফলত আপুনি নোৱাৰো যেন অনুভৱ হোৱা কামবোৰো একেবাৰে সুচাৰুৰূপে কৰি যাবলৈ সক্ষম হয়। সেয়েহে সময় বৰ বেছিকৈ নাই কিন্তু সময় একেবাৰে উকলি যোৱা নাই বুলি মনতে দৃঢ় প্ৰতিজ্ঞাবদ্ধ হৈ যিকোনো এটা ভাল কামকে নিৰন্তৰভাৱে ভুলে হওঁক বা শুদ্ধয়ে হওঁক একো আপত্তি নকৰাকৈ আজিৰে পৰা অন্ততঃ একেবাৰে কমকৈ হলেওঁ পাচ বা ছয় বছৰৰ বাবে নিৰন্তৰ কৰি যাবলৈ চেষ্টা অব্যাহত ৰাখক। ইয়াৰ ফলস্বৰূপে এসময়ত গৈ লাহে লাহে কৰি আপুনি নিজ চকুৰে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হব যে, আপুনি অহৰহভাৱে লাগি থকা দিশত অন্যান্য মানুহৰ তুলনাত বহু দক্ষতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। গতিকে একো লাজ নকৰাকৈ, কাকো আপত্তি নজনোৱাকৈ যিকোনো কামতে অহৰহ লাগি থকা উচিত। সচাঁ অৰ্থত কৰলৈ কলে মানুহে প্ৰথম অৱস্থাত আপোনাক দেখি বহু হাঁহিবলৈ আৰম্ভ কৰিব। কিন্তু লাহে লাহে তাৰ পৰৱৰ্তী অৱস্থাত আপোনাৰ উন্নতিবোৰ দেখি আপোনাৰ শত্ৰুবোৰৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিব। যেতিয়া আপুনি এই সকলোবোৰ কথা নেওচি আপুনি কেৱল আগবাঢ়ি গৈ থাকিব তেতিয়া অন্ততঃ এসময়ত গৈ আপুনি আকাশ মাৰ্গৰ পৰা মাটিতে বোজা হৈ পৰা মানুহবোৰক নিজে লক্ষ্য কৰিবলৈ সক্ষম হম। কিন্তু এইখিনিতে কথা এটা হ'ল আপুনি নিৰন্তৰে লাগি থকা কামৰ পৰা এদিনৰ বাবেও আতৰি আহিব নালাগে আৰু অহৰহ লাগি থকা কামবোৰক কেনেকৈ প্ৰতিদিনে, প্ৰতিক্ষণে আৰু অধিক উন্নত মানদণ্ডৰ কৰি তুলিব পাৰি তাৰে চিন্তাত মনোনিবেশ কৰা উচিত। এই দুয়োটা দিশকে যদি আপুনি অনুকৰণ কৰি চলিবলৈ আৰম্ভ কৰি দিয়ে সেই তেতিয়াৰ পৰায়ে যিকোনো কৰ্মতে সফলতা অৰ্জন কৰিবলৈ সক্ষম হবই।

# বিখ্যাত ৰাছিয়ান ঔপন্যাসিক ফিয়ডৰ ডছটয়েভস্কিৰ ক্ৰাইম এণ্ড পানিছমেন্ট এটি পৰ্যালোচনা

নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা

ৰাছিয়াৰ বিখ্যাত ঔপন্যাসিক ফিয়ডৰ ডছটয়েভস্কিয়ে (Fyoder Dostoyevsky) (জন্ম ১৮২১ চনৰ ১১ নৱেম্বৰ, মৃত্যু ১৮৮১ চনৰ ৯ ফেব্ৰুৱাৰী) ক্ৰাইম এণ্ড পানিছমেন্ট (Crime and Punishment) মনস্তাত্বিক বিশ্লেষণৰ জৰিয়তে মানুহৰ হৃদয়ৰ মাজত থকা গভীৰ দ্বন্দ্ব-সংঘাতৰ এক বৈচিত্ৰময় ৰূপ অতি ধুনীয়াকৈ ফুটাই তুলিছে। এই উপন্যাসখনত ছেন্ট পিটাৰছবাৰ্গৰ দাৰিদ্ৰ্য-ক্লীষ্ট পৰিয়ালৰ এজন আইনৰ প্ৰাক্তন ছাত্ৰ ৰডিয়ান ৰাস্কল নিকভক কেন্দ্ৰীয় চৰিত্ৰ হিচাপে লৈ ৰাস্কলনিকভৰ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ ছবি অতি মৰ্মস্পৰ্শী ৰূপে অংকন কৰিছে। ৰাস্কলনিকভ ওখ-পাখ ধুনীয়া ডেকা ; কিন্তু তেওঁ সদায় অবিনস্ত্য ভাবে পোছাক পৰিধান কৰিছিল আৰু এটি সৰু কোঠাত বসবাস কৰিছিল। উপন্যাসখনৰ কাহিনীভাগ আগবাঢ়িছে ৰাস্কলনিকভৰ দ্বৈত সংঘাতৰ মাজেৰে-বহিৰ্সংঘাত(External Conflict)আৰু অন্তৰ্সংঘাত (Internal Conflict) এটা হ'ল, তেওঁৰ নিঃসঙ্গপ্ৰিয় ব্যক্তিত্ব আৰু বিশ্বৰ প্ৰতি শত্ৰুতা-ভাৱাপন্ন মনোভাৱ। আনটো হ'ল, তেওঁৰ নিঃসঙ্গ আত্মাৰ সৈতে নৈতিকতা ভৰা সৌন্দৰ্য্যময় বিবেকৰ দ্বন্দ্ব-সংঘাত। কাহিনী বিকাশত ৰাস্কলনিকভৰ দ্বৈত সংঘাতৰ বিষয়ে অৱগত হোৱা এটি সাধাৰণ সমস্যাত পৰিণত হৈ উপন্যাসখন এক জটিল ৰূপ ধাৰণ কৰিছে ; যাক বিভিন্ন ধৰণে অনুধাৱন কৰিব লগীয়া হৈছে।

এই উপন্যাসখনৰ মূল সমস্যা হ'ল যে, ৰাস্কলনিকভৰ ব্যক্তিত্বৰ দুটা ভিন্ন দিশ এটি একক চৰিত্ৰৰ কাৰ্যাৱলীৰ জৰিয়তে ফুটাই তুলিবলৈ ঔপন্যাসিকে চেষ্টা কৰিছে।


তাকে কৰিবলৈ গৈ ঔপন্যাসিক ফিয়ডৰ ডছটয়েভস্কিয়ে সৃষ্টি কৰা মূল চৰিত্ৰ ৰাষ্টকনিকভে এটি হত্যাকাণ্ডত জড়িত হৈ অতি শীঘ্ৰে বিবেকৰ তাড়নাত শাস্তি বা প্ৰায়শ্চিত্য গ্ৰহণ কৰিবলৈ আগবাঢ়ি গৈছিল। ঔপন্যাসিকে ৰাস্কলনিকভৰ দ্বাৰা সংঘটিত হত্যাকাণ্ডক ৰাস্কলনিকভৰ চিন্তাৰ প্ৰতীকি ৰূপত ব্যৱহাৰ কৰিছে। এই অপৰাধে উপন্যাসৰ নায়কক প্ৰেম-ভালপোৱা আৰু মানৱতাৰ পৰা বিচ্ছিন্ন কৰিছে। কাহিনীৰ ঘটনা-প্ৰবাহে ৰাস্কলনিকভৰ দ্বৈত চূড়ান্ত ব্যক্তিত্বৰ এক সংঘাতময় পৰিৱেশৰ সৃষ্টি কৰিছে। সেয়ে, উপন্যাসৰ প্ৰথম খণ্ডত বুদ্ধিদীপ্ত যুৱক ৰাস্কলনিকভে অপৰাধত জড়িত হোৱাৰ বাবে মানুহৰ দক্ষতাৰ প্ৰকৃতি সম্পৰ্কে ধাৰণা পোষণ কৰিছে যে, অপৰিসীম দক্ষতাই এজন মানুহক অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তিলৈ ( Extra ordinary person) পৰিণত কৰে। কিন্তু, দক্ষতাৰ অভাৱত কিছুমান মানুহে সাধাৰণ মানুহ (Ordinary people) হিচাপে বৰ্তি থাকে। এনেকৈ চৰিত্ৰৰ এই বুদ্ধিদীপ্ত দিশটি অনুভৱ কৰি ৰাস্কলনিকভে অপৰাধ কাৰ্যত জড়িত হৈ পৰি তেওঁ বিবেকক অতিক্ৰম কৰিব বিচাৰিছিল। কিন্তু তেওঁ বিবেকক অতিক্ৰম কৰাব বিফল প্ৰচেষ্টা চলাই যোৱাৰ লগে লগে তেওঁৰ মনত অনুশোচনা-বোধ জাগ্ৰত হৈছিল। সেয়ে, তেওঁৰ চৰিত্ৰৰ এটা দিশ হ'ল, তেওঁ নিৰ্লিপ্ততা, অমানৱীয় আৰু বুদ্ধিদীপ্তিতাৰ সৈতে সংলগ্নতা ; যিয়ে তেওঁক নিজস্ব ক্ষমতা আৰু নিজস্ব ইচ্ছাৰে সকলো শুভ কাৰ্য চলাই যোৱাৰ বাবে প্ৰলুব্ধ কৰিছিল। তাৰ বাবে তেওঁ কাৰো পৰা কোনো প্ৰশংসা বা কোনো যোগ্যতা-প্ৰাপ্ততা লাভ কৰিবলৈ অনীহা প্ৰকাশ কৰিছিল।

ক্ৰাইম এণ্ড পানিছমেন্ট, প্ৰকাশ কাল ১৮৬৬ (Crime and Punishment) উপন্যাসৰ সংঘাতপূৰ্ণ, আকৰ্ষণীয়, দাৰিদ্ৰ্য-ক্লীষ্ট আইনৰ প্ৰাক্তন ছাত্ৰ ৰডিয়ান ৰাস্কলনিকভে মূল্যৱান বস্তুৰ বিনিময়ত উচ্চ হাৰত সুত লৈ টকাৰ লেনদেন কৰা ষাঠি বছৰীয়া বুঢ়ী এলিঅনা ইভানভনা (Alyona Ivanovna) আৰু তেওঁৰ সতীয়া ভনী লিজাভেটাক (Lizavita) কুঠাৰেৰে আঘাত কৰি হত্যা কৰিছিল। ৰাস্কলনিকভৰ মূল সূত্ৰ মতে, তেওঁ এজন অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তি ; যিয়ে যিকোনো ধৰণৰ অসৎ পথ গ্ৰহণ কৰি হ'লেও মানৱতাক উত্থান ঘটাবলৈ সকলো আধ্যাত্মিক দায়িত্ব পালন কৰিবলৈ সক্ষম। যাৰ বাবে তেওঁ এই হত্যাকাণ্ড সংঘটিত কৰিছিল।

এই উপন্যাসখনত ঔপন্যাসিকে এটি ৰুগ্ন মানসিকতাক মূল আধাৰ হিচাপে দাঙি ধৰিছে। ৰাস্কলনিকভৰ দ্বৈত সংঘাতৰ মাজেৰে বিবেকৰ সৈতে আবেগৰ সংঘাত তীব্ৰ ভাবে ফুটি উঠিছে। যাৰ ফলত, গোটেই উপন্যাসখনত এক সন্দেহৰ বাতাৱৰণ সৃষ্টি হৈ পাঠকক সকলো কথা নতুনকৈ ভৰাই তুলিবলৈ সক্ষম হৈছে।

ঔপন্যাসিকে মাৰমেলাডভ (Marmeladov)নামৰ অতিৰিক্ত মদ্যপান কৰা চৰিত্ৰটি আৰু নৈতিকতাহীন জঘন্যতম চৰিত্ৰৰ স্ভিড্ৰিগ্ৰেইলভৰ (Svidrigailov) নামৰ মানুহজনৰ মনস্তাত্বিক দিশ সুন্দৰকৈ বিশ্লেষণ কৰিছে। মাৰমেলেডভে মদ খাই খাই সংসাৰৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি ধ্বংস কৰি নিঃস্ব হৈ ঘৰৰ একমাত্ৰ শিক্ষিতা ধুনীয়া জীয়ৰী ছোনিয়াক (Sonya) বেশ্যা বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল। মদৰ নিচাত উন্মত্ত হৈ তেওঁ এদিন অকাল মৃত্যুক আকোঁৱালি লোৱাত ৰাস্কলনিকভে আগবাঢ়ি গৈ ছোনিয়া আৰু ছোনিয়াৰ পৰিয়ালক মৃত মাৰমেলেভডৰ সমাধিস্থলীৰ সকলো সকাম সুকলমে চলাবলৈ অৰ্থ সাহায্য প্ৰদান কৰিছিল। ছোনিয়াৰ পিতৃৰ সকাম চলি থাকোঁতে লুঝিন নামৰ অসৎ চৰিত্ৰৰ মানুহজনে তেওঁৰ মূল্যবান বস্তু এটি ছোনিয়াই চুৰি কৰা বুলি অভিযোগ আনিলে। কিন্তু ৰাস্কলনিকভে তেওঁৰ মিথ্যা অভিযোগ দৃঢ়তাৰে খণ্ডন কৰিলে। ৰাস্কলনিকভে ঘপহ কৰে দুগৰাকী বুঢ়ীক হত্যা কৰাৰ কথা ছোনিয়াৰ আগত প্ৰকাশ কৰাৰ বাবে পত্নী থকা সত্বেও স্ভিড্ৰিগেইলভ নামৰ ঘৃণনীয় চৰিত্ৰটি ৰাস্কলনিকভৰ ভনী ডুনিয়াক (Dunya) বিয়া কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। যদি ডুনিয়াই তেওঁৰ প্ৰস্তাৱ নাকচ কৰে, তেনেহ'লে তাইৰ ককায়েক ৰাস্কলনিকভৰ গোপন হত্যাকাণ্ডৰ কথা প্ৰকাশ কৰিব বুলি তাইক ব্লেকমেইল কৰিবলৈ ধৰিলে। ডুনিয়াই তেওঁৰ প্ৰস্তাৱ নাকচ কৰাৰ বাবে স্ভিড্ৰিগেইলভে অৱশেষত আত্মহননৰ পথ বাচি ল'লে। ৰাস্কলনিকভৰ ভনী ডুনিয়া বুদ্ধিমতী, আত্ম-গৌৰৱী, ধুনীয়া আৰু শক্তিশালী ইচ্ছাশক্তি থকা ছোৱালী। তাই ৰাস্কলনিকভৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ । কাৰণ, ৰাস্কলনিকভ হ'ল আত্মকেন্দ্ৰীক, নিষ্ঠুৰ আৰু বুদ্ধিমত্তাৰ প্ৰতি তীব্ৰ ভাবে সংলগ্ন ; অথচ ডুনিয়া আত্মত্যাগী, দয়ালু আৰু সদায় সহানুভূতিশীল ভাৱাপন্ন। পৰিয়ালৰ আৰ্থিক নিৰাপত্তা আৰু সামাজিক মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ লুঝিনৰ দৰে অসৎ চৰিত্ৰৰ মানুহজনৰ লগত ডুনিয়াই বিবাহ পাশত আৱদ্ধ হোৱাটো ককায়েক ৰাস্কলনিকভে কোনোমতে মানি লোৱা নাছিল। তেওঁ দৃঢ়তাৰে কৈছিল যে, "While I live, the marriage will never take place." অৱশেষত ৰাস্কলনিকভে ডুনিয়াক ক্ষমা কৰিছিল যেতিয়া তাই লুঝিনৰ(Luzhin)সৈতে বিবাহ বিচ্ছেদ ঘটাই তেওঁৰ বিশিষ্ট বন্ধু ৰাজুমিখিনৰ (Razumikhin) লগত বিবাহ পাশত আৱদ্ধ হৈছিল। ৰাজুমিখিন হ'ল, এজন ধীৰ স্থিৰ আৰু কঠিন কামত লাগি থাকি জীৱনৰ শুদ্ধ পথত অগ্ৰসৰ হোৱা আদৰ্শ চৰিত্ৰ ; যিজনে ডুনিয়াৰ সৈতে ৰাস্কলনিকভৰ জীৱনৰ শেষ মুহূৰ্তলৈকে সঙ্গ দিছিল।

ষাঠি বছৰীয়া এলিঅনা ইভানভনা নামৰ বুঢ়ীজনী আছিল চুটি চাপৰ, শুকান চেহেৰা, শেঁতা ৰঙৰ চকু, জোঙা বহল নাক, মটীয়া ৰঙৰ চুলি। তেওঁ মেঙ্গী পৰিধান কৰিছিল আৰু মূৰত সদায় ৰঙা টুপী পিন্ধিছিল। এদিন ৰাস্কলনিকভে বুঢ়ীজনীৰ দোকানত গৈ দেউতাকৰ ৰূপৰ ঘড়ী আৰু ভনী ডুনিয়াৰ সোণৰ আঙঠি বন্ধকত দি টকা ধাৰে বিচৰাত বুঢ়ীজনী তেওঁৰ পিনে অবিশ্বাসৰ দৃষ্টিৰে চাই কাঁহিবলৈ ধৰিলে। তেতিয়া ৰাস্কলনিকভৰ মনত নিষ্ঠুৰ বুঢ়ীজনীক হত্যা কৰাৰ জীঘাংসা ভাৱ ফুটি উঠিছিল।




এলিঅনা ইভানভনাৰ দোকানৰ পৰা ওলাই ৰাস্তাৰে গৈ থাকোঁতে ৰাস্কলনিকভে এজন ছাত্ৰ আৰু সৈন্যৰ মাজত হোৱা কথোপকথন শুনিবলৈ পালে। ছাত্ৰ জনে ক'লে যে, এই বুঢ়ীজনীয়ে নিজৰ সতীয়া ভনী লিজাভেটাক চাকৰৰ দৰে ব্যৱহাৰ কৰে আৰু যেতিয়াই তেতিয়াই তাইক মাৰ পিট কৰে। ছাত্ৰজনে ভাৱিছিল যে, "Hundred thousand good deeds, could be done with all of Alyona Ivanovna's collect other people money until she died and gives it to a monastery" ছাত্ৰজনে সৈনিকজনক কৈছিল, তাই ইমানেই দুৰ্নীতিগ্ৰস্থা যে তাইক হত্যা কৰিলে মানৱ ধৰ্ম পালন কৰা হ'ব। তেতিয়া ৰাস্কলনিকভে নিজকে অসাধাৰণ ব্যক্তিত্ব-সম্পন্ন যুৱক হিচাপে মানৱ ধৰ্ম পালন কৰিবলৈ এই নিষ্ঠুৰ শোষক বুঢ়ী আৰু তেওঁৰ সতীয়া ভনী লিজাভেটাক কুঠাৰেৰে আঘাত কৰি হত্যা কৰিছিল।

কিন্তু, জীৱনৰ প্ৰতিটো মুহূৰ্তত ছিজোফ্ৰেনিয়া, বি -পলাৰ দিছ অৰ্ডাৰ আৰু পেৰানৈইয়া মানসিক ৰোগত আক্ৰান্ত হৈ অতি শীঘ্ৰে তেওঁ বিবেকৰ সীমা অতিক্ৰম কৰিব নোৱাৰি অৱশেষত পুলিচ প্ৰশাসনৰ অপৰাধ শাখাৰ এজন বিষয়াৰ সোধাপোছত তেওঁ অপৰাধ কাৰ্যত জড়িত হৈছিল বুলি স্বীকাৰ কৰিলে। যাৰ ফলত তেওঁ ছাইবেৰিয়াত সাত বছৰ জে'ল খাটিবলগীয়া হৈছিল। ছাইবেৰিয়াৰ জে'লত আৱদ্ধ হৈ থাকোঁতে ছোনিয়াই তেওঁক অনুসৰণ কৰি তেওঁৰ কাষত গৈ সম্পূৰ্ণ সঙ্গ দিছিল। কিন্তু, ৰাস্কলনিকভৰ কৰ্কশ আচৰণত ছোনিয়া ভয়ত বিব্ৰত হৈছিল। ৰাস্কলনিকভে চিঞৰি চিঞৰি ছোনিয়া আৰু জে'লৰ কয়েদি সকলক জনালে যে তেওঁ দুগৰাকী বুঢ়ীক হত্যা কৰি মহান পবিত্ৰ কাম সাধন কৰিছে।

তাৰ পিছ মুহূৰ্তত তেওঁ ছোনিয়াক কাষত মাতি ছোনিয়াৰ প্ৰতি তেওঁৰ আধ্যাত্মিক প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠা বুলি স্বীকাৰ কৰি তাইৰ প্ৰেমালিঙ্গন লাভ কৰিবলৈ উদ্বাউল হৈ পৰিল। ৰাস্কলনিকভৰ মতে পৃথিৱীত দুই প্ৰকাৰৰ পাপী আছে। সেয়া হ'ল, প্ৰকৃত পাপী আৰু পবিত্ৰ পাপী। ছোনিয়া হৈছে পবিত্ৰ পাপী; যিয়ে সংসাৰৰ মহাভাৰ গ্ৰহণ কৰিবলৈ বেশ্যা বৃত্তি গ্ৰহণ কৰিছিল। তেওঁ নতজানু হৈ ছোনিয়াৰ ভৰি চুই ক'লে যে, "I bow not to you, but bow to all suffering of all human beings." তাৰ পিছত ছোনিয়াৰ উপদেশ মৰ্মে তেওঁ এদিন খোলা ময়দানৰ ভূমি স্পৰ্শ কৰি চিঞৰি চিঞৰি নিজৰ পাপকাৰ্যৰ কথা অকপটে স্বীকাৰ কৰি বিশ্ববাসীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে।

বিখ্যাত ৰাছিয়ান ঔপন্যাসিক ফিয়ডৰ ডছটয়েভস্কিয়ে ক্ৰাইম এণ্ড পানিছমেন্ট উপন্যাসখনত কোনে কাক হত্যা কৰিছে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাই ; কি কাৰণত হত্যা-কাণ্ড সংঘটিত হৈছিল তাৰ মনস্তাত্বিক বিশ্লেষণ আগবঢ়াই পাপ আৰু পৰাচিতৰ এটি সুন্দৰ নিৰ্দশন দাঙি ধৰিছে।

# একবিংশ শতিকাত উপনীত হৈ আমি অধিক বিজ্ঞান মনস্ক হ'ব লাগিব

**মানসী মিশ্ৰ**



আজিৰ দিনত বিজ্ঞান নহ'লেই যেন মানৱ জীৱন অসাৰ। ইণ্টাৰনেটৰ সংযোগ কেইঘণ্টামানৰ বাবে বিচ্ছিন্ন হৈ গ'লে আমাৰ ভৰিৰ তলুৱাৰ মাটিখিনি খহি যোৱা যেন লাগে। আমি যেন সকলো অসাৰ। কাৰণ আমি একবিংশ শতিকাৰ নাগৰিক। ইয়াত চুইচটো টিপিলেই আমাৰ জীৱন ধাৰণৰ লগত জড়িত সকলো কাম হৈ উঠিব লাগে। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে আমাৰ জীৱন শৈলী বিজ্ঞানৰ ভিন ভিন অৱদানৰ ওপৰতে নিৰ্ভৰশীল। প্ৰতিগৰাকী ব্যক্তিৰ হাতে হাতে স্মাৰ্টফোনটো নাথাকিলে মানুহৰ নিজকে অসম্পূৰ্ণ যেন লাগি যায়। সচাঁ কথা ক'বলৈ গ'লে ৰাতিপুৱা শুই উঠিয়েই পানী পাবলৈ হাত দিয়া পানীৰ টেপটো, চাহকাপ খাবলৈ সহায় লোৱা গেছৰ চৌকাটো এই সকলো বিজ্ঞানৰ অৱদান। হয়, এই আধুনিক পৃথিৱীত আমি কম সময়তে আৰু সুপৰিকল্পিতভাৱে জীৱনৰ সকলো কাম কৰিব লাগিব আৰু এইবাবেই আমি বিজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। এই সকলোবিলাক ঠিকে আছে। কিন্তু ইয়াৰ মাজতে আমাৰ চৌপাশে ঘটি থকা কিছুমান কৰ্মকাণ্ডই আমাক ভাবি চাবলৈ বাধ্য কৰাইছে যে আমি একবিংশ শতিকাত বাস কৰা সকলো মানুহে কম বেছি পৰিমাণে বিজ্ঞানৰ আৱিষ্কাৰসমূহ ব্যৱহাৰ কৰি আছো কিন্তু সেই অনুপাতে আমি নিজকে বিজ্ঞান মনস্ক কৰিব পাৰিছো নে? এইটো এটা ডাঙৰ প্ৰশ্ন আমাৰ সমুখত এতিয়া। যিমানেই বিজ্ঞানৰ অভিনৱ আৱিষ্কাৰে আমাৰ জীৱন শৈলীক ওচৰৰ পৰা স্পৰ্শ কৰিছে সিমানেই আমি অন্ধবিশ্বাসৰ জালখনেৰে নিজকে মেৰিয়াই পেলাইছো। কিছু বছৰৰ পৰা আমাৰ ৰাজ্যখনত হঠাতে অন্ধবিশ্বাস কেন্দ্ৰিক ঘটনা সমূহে মূৰ দাঙি উঠা দেখা গৈছে। ঘটনাসমূহ পোহৰলৈ অহাৰ পিছত ভালদৰে পৰ্য্যালোচনা কৰিলে গম পোৱা যায় যে এই ঘটি যোৱা ঘটনাসমূহ মানুহৰ কিছুমান অন্ধবিশ্বাস, কুসংস্কাৰৰ লগত জড়িত। কিছুদিনৰ পৰা ৰাজ্যৰ কোনো কোনো প্ৰান্তত বগা ঘোঁৰাকলৈ মানুহৰ মাজত পূজা অৰ্চ্চনা আৰম্ভ হৈছে। মানুহে ভগৱানৰ অৱতাৰ বুলি মানি লৈ ঘোঁৰাকে টানি আজুৰি আনিছে। মহিলাসকলে উদাও চিএৱৰ বাখৰেৰে এই কাৰ্য্যত অংশ লোৱা দেখা গৈছে। ইয়ৰ লগে লগে বিভিন্ন ঠাইত মৎস অৱতাৰৰো আবিৰ্ভাৱ হৈছে বুলি প্ৰকাশ পাইছে। এনেয়ো বিভিন্ন সময়ত আমাৰ ৰাজ্যখনত ঠায়ে ঠায়ে গোঁসাই লম্ভা, দেও লম্ভা আদি ঘটনা সমূহ সংবাদ মাধ্যমৰ যোগেদি পোহৰলৈ আহিছে। এনেধৰণৰ ঘটনা কৰবাত হৈছে বুলি শুনাৰ লগে লগে সেই ঠাইলৈ জনস্ৰোত ববলৈ আৰম্ভ কৰে আৰু মানুহে তাত পূজা অৰ্চ্চনা কৰিবলৈ লয়। এইখন ৰাজ্যতে প্ৰায় ওৰেটো জীৱন এগৰাকী মহিলাই অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দি সমুখৰ পৰা নেতৃত্ব দি বহু ব্যক্তিক মৃত্যুমুখৰ পৰা বচাই আনিবলৈ সক্ষম হৈছিল। বহু মহিলাক এনে ভয়াবহ অন্ধবিশ্বাসৰ কবলৰ পৰা মুক্ত কৰি সমাজৰ মূল সুঁতিলৈ ঘূৰাই আনি নিজেই এক আদৰ্শ হৈ পৰিছিল যাৰ নাম আছিল বিৰুবালা ৰাভা। ইতিমধ্যে অন্ধবিশ্বাসৰ সংগ্ৰামখন আমি বহু ওচৰৰ পৰা দেখিছো। অন্ধবিশ্বাসৰ বলী হোৱা ভুক্তভোগীসকলৰ জীৱনৰ কৰুণ পৰিস্থিতি আমি বহুতেই প্ৰত্যক্ষ কৰিছোঁ। আমি যদি আমাৰ ৰাজ্যখনত মাজে মাজে ঘটি থকা ডাইনীৰ ঘটনাটোকেই ধৰি লওঁ তেন্তে এটা কথাত উপনীত হ'ব পাৰি যে এই ডাইনীৰ সন্দেহত ব্যক্তিৰ ওপৰত যি শাৰীৰিক বা মানসিক উৎপীড়ণ জাপি দিয়া হয় এয়া অন্ধবিশ্বাসৰ বাহিৰে আন একো নহয়। যিবোৰ ঠাইত মানুহৰ মাজত একেবাৰে শিক্ষা দীক্ষাৰ পোহৰ পৰা নাই, সেই অঞ্চলৰ মানুহৰ মাজত কিছু ভ্ৰান্ত ধাৰণাই খোপনি পুতি আছে। স্বাস্থ্যৰ দিশতো এই লোকসকলৰ মনত অলপো সজাগতা নাই। তেওঁলোকৰ মাজত মানুহৰ অসুখ বিসুখ হ'লে কোনো ধৰণৰ চিকিৎসকৰ পৰামৰ্শ নলয়। ইয়াৰ পৰিবৰ্তে তেওঁলোকে কিছুমান ভুৱা বেজ, কবিৰাজৰ সহায় লয়। ইয়াৰ লগে লগে গাঁৱৰ লোকসকলে গাঁৱৰে কিছুমান লোকক লক্ষ্য কৰি লয়। তেওঁলোকক অতি পাশৱিকভাৱে ধৰি বান্ধি আনি তেওঁলোকৰ ওপৰত অমানুষিক অত্যাচাৰ আৰম্ভ কৰি দিয়া হয় আৰু নিজ মুখেৰে ডাইনী বুলি কবলৈ বাধ্য কৰোৱা হয়। ইয়াৰ পিছতেই এই ডাইনী বুলি অভিযুক্ত কৰা মহিলা গৰাকী/ ব্যক্তিগৰাকীৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা হয়। সেই মহিলা/ ব্যক্তিগৰাকীক পৰিয়াল চ্যুত/ সমাজ চ্যুত কৰা হয়। আনকি বহু সময়ত সমগ্ৰ পৰিয়ালটোক এঘৰীয়া কৰা হয়। এই ভয়াবহ অন্ধবিশ্বাস সমাজৰ পৰা নিমূল কৰাৰ হকে সমাজত যুজঁ চলিয়েই আছে। গোৱালপাৰা জিলাৰ লক্ষীপুৰ ব্লকৰ পৰা ওলাই আহি এগৰাকী অতি সাহসী সেনানী বিৰুবালা ৰাভাই এই ডাইনী নামৰ অন্ধবিশ্বাসৰ বিৰুদ্ধে হোৱা সংগ্ৰামখনৰ নেতৃত্ব দিছিল। গোৱালপাৰাকে ধৰি চুবুৰীয়া চিৰাং, বঙাইগাওঁ, কোকৰাঝাৰ আদি ঠাইতো অন্ধবিশ্বাসৰ বিৰুদ্ধে জোৰদাৰ সংগ্ৰাম চলাই আহিছিল। ইয়াৰ ফলতে বহুলোকৰ জীৱন বচাবলৈ সমৰ্থ হৈছিল। সাধাৰণতে জনজাতি এলেকা আৰু চাহজনগোষ্ঠী অধ্যুষিত এলেকা সমূহত এই ডাইনী অন্ধবিশ্বাস এতিয়াও আছে। ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল সমূহতো ইয়াৰ প্ৰভাৱ পৰে। চাহবাগিচা সমূহৰ ভিতৰ চ'ৰাত বসবাস কৰি থকা জনবসতি এলেকাতো মানুহৰ মাজত শিক্ষা দীক্ষাৰ প্ৰভাৱ কম। স্বাস্থ্যৰ দিশতো সজাগতা নাই বুলি ক'লেও হয়। গতিকে বেমাৰ আজাৰ হৈ থাকিলেও চিকিৎসকৰ পৰামৰ্শ লোৱাৰ পৰিবৰ্তে বেজ বেজালি চলে। বহু সময়ত আকৌ বহুতৰ জোৰত একেবাৰে মূৰ্মূষ অৱস্থাত চিকিৎসালয় নিয়ে আৰু সেইসময়ত চিকিৎসাৰ কোনো স্থল নাথাকে। চিকিৎসালয়তে যদি ৰোগী গৰাকীৰ মৃত্যু হয় তেতিয়া আকৌ চিকিৎসক, চিকিৎসাকৰ্মীৰ ওপৰত অত্যাচাৰ চলে। এই অবুজ লোকৰ সকলৰ প্ৰহাৰত চিকিৎসকৰ মৃত্যু পৰ্য্যন্ত হোৱা ঘটনা আমাৰ ৰাজ্যত আছে। বিভিন্ন ঠাইত অন্ধবিশ্বাসজনিত যিসমূহ ঘটনা হৈ থাকে এই ঘটনা সমূহ পৰ্যবেক্ষণ কৰিলে গম পোৱা যায় যে কেৱল আনুষ্ঠানিক শিক্ষাৰ পোহৰ নথকা মানুহৰ মাজতে যে অন্ধবিশ্বাসৰ ঘটনা ঘটি আছে, এইটো নহয়, আনুষ্ঠানিকভাৱে শিক্ষিত, আনকি বিজ্ঞান শিক্ষাৰে শিক্ষিত মানুহৰ মাজতো অন্ধবিশ্বাস, কুসংস্কাৰৰ বহু ঘটনা ঘটি আছে। ডাইনীৰ অন্ধবিশ্বাসক লৈ হোৱা বিভিন্ন আলোচনা, মেল মিটিঙত এনে বহু মানুহ লগ পোৱা গৈছে যিসকলে হাইস্কুল, কলেজত শিক্ষকতা কৰে কিন্তু সমাজত ডাইনী আছে বুলি তেওঁলোকে গভীৰভাৱে বিশ্বাস কৰে। আজিৰ পৰা দুই তিনি বছৰ আগতে দৰং জিলাত এগৰাকী বিজ্ঞানৰ শিক্ষকৰ ঘৰত তেওঁলোকৰ ঘৰৰ উন্নতিৰ লগতে বিশেষ মনোকামানা সিদ্ধিৰ বাবে অনুষ্ঠিত পূজাত নৰবলি হৈছিল। সেই পৰিয়ালটোৰ মুৰব্বীগৰাকী হাইস্কুলৰ বিজ্ঞান শিক্ষক হোৱাৰ লগতে তেখেতৰ পুত্ৰ কম্পিউটাৰ বিজ্ঞানৰ ছাত্ৰ। ইয়াৰ পিছতো নিজৰ অভিষ্ট সিদ্ধিৰ উদ্দেশেৰে এইখন ঘৰতে নৰবলি হৈছিল। এতিয়াও এই একবিংশ শতিকাত উপলব্ধ মানুহে কন্যা সন্তান জন্ম দিব নোৱাৰিলে তেনে মহিলাক কুলক্ষণীয় বুলি ভাৱে। সন্তান ল'ৰা হ'ব নে ছোৱালী হ'ব সেই কাৰণটো পুৰুষজনৰ ক্ৰমজমৰ ওপৰত নিৰ্ভৰ কৰে। সেইখিনি জানি বুজিও কিন্তু ল'ৰা সন্তান জন্ম নহ'লে মহিলাগৰাকীক কুলক্ষণীয়া বুলি দোষাৰোপ কৰে। এতিয়াও কাৰোবাৰ গাত বসন্ত ওলালে চিকিৎসকৰ পৰামৰ্শ নলয়। আইসকলে লম্ভা বুলি পূজা সেৱা কৰিয়েই বেমাৰ ভাল কৰিবলৈ যত্ন কৰে। কুকুৰ মেকুৰীয়ে কামুৰিলে বৰ্তমান সময়তো ভেকচিন লোৱাৰ পৰিবৰ্তে জৰা, ফুঁকা, তাবিজ বান্ধি চিকিৎসা কৰা পৰিলক্ষিত হয়। ইয়াৰ পৰিণতিত মাজে মাজে কিছুমান কৰুণ ঘটনা ঘটা দেখিবলৈ পোৱা যায়। পৰীয়ে লম্ভা, শিৰই লম্ভা আদি নানান ঘটনাটো ঘটিয়েই থাকে আমাৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত। গতিকে আমি সমাজ সভ্যতাৰ উন্নতিৰ জখলাৰে বহুদূৰ আগবাঢ়ি গৈছোঁ বুলি ভাবি থাকিলেও আমি কিন্তু সমাজখনক কু-সংস্কাৰ মুক্ত কৰাৰ ক্ষেত্ৰত এতিয়াও বহুত কৰিবলগীয়া আছে। কেৱল মহিলাসকলক সজাগতা প্ৰদান কৰিলেই নহ'ব, পুৰুষসকলকো সজাগ কৰিব লাগিব। কেৱল চহৰ অঞ্চলত সজাগতা প্ৰদান কৰিলেই কামত নাহিব। গাঁৱ আৰু ভিতৰুৱা অঞ্চলতো ব্যাপক সজাগতা হ'ব লাগিব। কথাৰ মাধ্যমেৰেই নহয়, কলা যাত্ৰা, বাটৰ নাট, দেৱাল লিখন, বক্তৃতা আদি বিভিন্ন মাধ্যমৰ যোগেদি সজাগতা প্ৰদান কৰিব লাগে। ৰাজ্যখনৰ ভিন্ন প্ৰান্তত হৈ থকা সমস্যা সমূহ দূৰ কৰাৰ বাবে চৰকাৰৰ ফালৰ পৰাও বিজ্ঞান মনস্কতা গঢ়ি তুলিবলৈ যত্ন কৰিব লাগে। অন্ধবিশ্বাসক এৰিব নোৱাৰিলে আজিৰ একবিংশ শতিকাৰ সমাজখনত উপনীত হোৱাৰ পিছতো কিন্তু পৰ্য্যাপ্ত বিকাশ আৰু উন্নতি সাধন কৰিব নোৱাৰিম।

অণুগল্প

## ব'হাগৰ নাচনী

**ৰশ্মি ৰেখা দুৱৰা**



হাঁহিমুখীয়া মুখখনত একেবাৰে দুখৰ ছাঁয়ে ঢাকি ধৰিছে। আজি পম্পীয়ে অমুকখন বিহুতলীত প্ৰথম পুৰস্কাৰ, পৰহি ৰিম্পীয়ে অমুকখন বিহুতলীত দ্বিতীয় পুৰস্কাৰ। কি হৈ গ'ল নিজকে বিশ্বাস কৰিব পৰা নাই। প্ৰত্যেক বছৰেটো ৰীনায়ো পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিল।

ভয়ংকৰ দুৰ্ঘটনাটোৱে ব'হাগৰ নাচনী হোৱাত বাধাৰ প্ৰাচীৰ হৈ থিয় দিলে। তাই নিমাত। চৌদিশে বিহুৰ উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। ৰাংঢালী ৰীনাজনীয়ে নীৰৱে উচুপি উঠিছ। ৰীনাৰ দুধাৰি চকুলো দেখি মাতৃ অস্থিৰ হৈ পৰিছে। কেনেকৈ চাব দুখেৰে জৰ্জড়িত হৈ থকা তাইৰ মুখখন। দুভৰিৰ অস্তিত্ব তাই এতিয়াহে উপলব্ধি কৰিছে।

চুটিগল্প..

# এসময়ত

মুন শৰ্মা, লখিমপুৰ



দুপৰীয়া বাবেই নেকি! ৰাস্তাত টোতত মানুহ প্ৰায় নাই। দুই এটা মানুহ ইফালে সিফালে অহা যোৱা কৰি থকা বাদে অন্য একো চকুত পৰা নাই। তাৰেই সুযোগ ললে চহৰ খনত কিছু দিন আগেই আহি সৰু সুৰা কৈ চুৰ কৰি ফুৰা ডেকা ল'ৰাটোৱে। হঠাৎ তাৰ আগত যোৱা মহিলা জনী ফোনটো লৈ দৌৰ দিব ধৰিছিল তেনেতে মহিলা জনী মাত ..... এই খিনি ও লৈ যাওঁক।

কথাটো শুনি সি আচৰিত হ'ল, জীৱনত এনেকুৱা মানুহ সি দেখা নাই চুৰ চুৰ বুলি উৎপাত কৰাৰ বিপৰীতে বাকী বস্তু খিনি ও লৈ যাব কৈছে। মনতে ভাবিলে নাই তাইৰ এইয়া কিবা চাল হ'ব ইয়াত ৰৈ থকা টো ভাল নহ'ব। সি আঁতৰি গল মহিলা জনীয়ে আকৌ কলে এইয়া লৈ যাওঁক কিন্তু সি ঘূৰি নাচালে।

সময় আবেলি চহৰৰ মুকলিত থকা জনপ্ৰিয় ধাবা খনতে একাপ চাহত চুমক দিলে সি। বেছ সুখী মহিলা জনী পৰা অনা ফোন টো দাম সি উলিয়ালে, সিফালে ইমান সময় গণ্ডগোল একো নোহোৱাত সি নিচিন্ত হ'ল যে, পুলিচ তাৰ পাছত নাই কাৰণ তাৰ আচৰিত ফোন চহৰত পুলিচে কাক বিচাৰি আছে সেইয়া সি কিবা নহয় কিবা প্ৰকাৰে গম পায় থাকে।

বাৰিষাত সময় হোৱাৰ বাবে সুন্দৰ ফৰকাল দুপৰীয়া টোক উপলুঙা কৰি আবেলি সেই সময় খিনিতে নামি আহিল এজাক বৰষুণ। সেই দুপৰীয়া গহীনতা ভাঙি আকৌ যি মানুহৰ আগমন হৈছিল চহৰ খনত সেয়া বৰষুণে আকৌ অন্ত কৰিব বাধ্য কৰিলে।

চহৰ খন সৰু যদিও এখন ধুনীয়া চহৰ। তাৰ বেছি দিন হোৱা নাই যদিও চহৰ খনৰ প্ৰেমত সি পৰিছে। তাতে আজি এজাক বৰষুণৰ ফলত চহৰ খনে যিটো ৰূপ কলে সেয়া সি বাৰুকৈয়ে আকৰ্ষিত হৈছিল।

হঠাৎ দেখিলে ৰাস্তাত সম মাজত এজনী ছোৱালী তিতি তিতি ৰৈ আছে। প্ৰথমে ভাবিছিল কোনোবা বৰষুণ প্ৰেমিক হ'ব পাৰে। কিন্তু চহৰৰ মূল ৰাস্তা টোত বৰষুণত ফলত জন শূণ্য হোৱাৰ বাবে সুবিধা পায় গাড়ী বোৰে তীব্ৰ গতিত যোৱা লৈ চাই ভাবিলে এনেকৈ হলে ছোৱালী জনী বিপদ হব। ভাবিছিলহে মাত্ৰ, বিপৰীত দিশৰ পৰা এখন গাড়ীয়ে তাই খুন্দা মাৰিলে লগে লগে অলপ দুৰ তাই চিটিকি পৰিল। সি দৌৰ মাৰিলে। ওচৰত গৈ দেখিলে সি দুপৰীয়া যি জনী মহিলা ফোন চুৰ কৰিছিল সেই মহিলা জনী।

মানুহে কৈছে তাই নিজেই আহি গাড়ী আগত পৰি দিলে অমুক তমুক, বহুত কথা চিঞৰ বাখৰ মাজতে তাৰ কাণত পৰিল মহিলা জনী জীয়াই আছে, কথা শুনিয়েই সি পলম নকৰি তাইক মেডিকেল লৈ গল। চিকিৎসকে কলে বছা আশা খুব কম। কিন্তু ঈশ্বৰৰ কৃপাত তাই বাচি আহিল।

এদিন কথা খিনি দি সুধি পেলালে মেডিকেল ত যে তাই কিয় এই কাম কৰিলে। প্ৰথমে ক'ব বিচৰা নাছিল কিন্তু শেষত সকলো কথা খুলি কলে। সি তাইক কথা দিলে সকলো সহায় মই কৰি দিম। অশেষ চেষ্টা কৰিও সি সফল হ'ব নোৱাৰিলে। কোনো কাৰণতে তাইৰ মানুহ জনে তাইক গ্ৰহণ নকৰে। মহিলা জনী উদাস কৰুণ কাহিনীয়ে তাক আমনি কৰিব ধৰিলে এদিন সি তাইৰ তাইৰ মানুহ জনৰ কথা পাহৰি যাবলৈ কলে তাই গৰজি উঠিল, তাৰ কাষৰ পৰা আঁতৰি গুচি গ'ল। বহু সময় বিচাৰি নদীৰ ঘাটত তাইক লগ পায়, তাতেই তাইক কৈ দিলে সি মই চুৰ কিন্তু মোৰো এখন হৃদয় আছে বুজি পাও আপোনাৰ কথা কিন্তু আপোনাৰ কথাবোৰ শুনি জানি মই আজি সিদ্ধান্ত লৈছোঁ মই হ'ব বিচাৰোঁ আপুনি ভবা সেই বিশেষ মানুহ জন। গতিকে আপুনি যদি বিচাৰে মই আপোনাৰ আজীৱন হৈ ৰম। সেই দিনা তাই একো কোৱা নাছিল কিন্তু লাহে লাহে তাইৰ বাবে এই চুৰ টোৱে কৰা সহায় মনত পেলাই তাই আবেগিক গৈ পৰিল, বিশ্বাস কৰিব চেষ্টা কৰিলে মই বিচৰা বিশেষ মানুহ জন হ'ব পৰা গুণ ইয়াৰ আছে।

সময় বাগৰি গ'ল, এদিন তাই নিজৰ আগৰ সিদ্ধান্ত বোৰ সলনি কৰিলে। তাই জীৱন উদযাপন কৰিব বিচাৰে সুখ বোৰ শান্তি বোৰ লগত বিলীন হ'ব বিচাৰে সেইয়া মাত্ৰ এই চুৰ টোৰ লগত হে সম্ভৱ। লাহে লাহে দুই তাইৰ সম্পৰ্ক মধুৰ হৈ উঠিল। আৰু এটা সময় আহিল আজীৱন নেৰা সম্পৰ্কত সাঙোৰ খাই পৰিল। এয়ে হৈছে এই উপন্যাস কাহিনী কথাটো কোৱাৰ লগে লগে হ'ল ঘৰ টোত উপস্থিত থকা বিধান সমাজ খনে হাত চাপৰি বজাই উত্তাল কৰি তুলিলে পৰিৱেশটো। তাকে দেখি এটা মিঠা হাঁহি মাৰিলে বৰ্তমানৰ প্ৰখ্যাত লেখক এক সঁচা কাহিনী আলমত লিখা এইবাৰ বৰ্ষশ্ৰেষ্ঠ উপন্যাস এমুঠি মৰমৰ লেখক মিষ্টাৰ অজয় দুৱৰা আৰু তেওঁৰ পত্নী অৰ্থাৎ কাহিনীটোৰ নায়িকা মিছ মনালিছা দুৱৰা। অৰ্থাৎ সেই সময়ৰ চুৰটো আৰু সেই মহিলা জনী।

# বিশ্ব পৰিৱেশ দিৱস উদযাপনে পৰিৱেশত কিবা প্ৰভাৱ পেলাবনে?

দেবৰ্ষি গৌতম,বনগাঁও

প্ৰতিটো বছৰৰ জুন মাহৰ ৫ তাৰিখে বিশ্বৰ প্ৰীতিটো প্ৰান্ততে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পৃথিৱীত মানৱ সমাজ জীয়াই থাকিবলৈ যি এক সুস্থ প্ৰাকৃতিক পৰিৱেশৰ প্ৰয়োজন সেইয়া নিশ্চিত কৰিবলৈ বছৰৰ এটা দিনত সমগ্ৰ বিশ্ববাসী সংকল্পবদ্ধ হোৱাৰ বাবে ৫ জুনৰ দিনটোক পৰিৱেশৰ বাবে এক বিশেষ দিন হিচাপে পালন কৰা হয়। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিভিন্ন ধৰণৰ শ্লোগান আমি শুনিবলৈ পাই আহিছোঁ। কেৱল শ্লোগানেই নহয় এক সুস্থ পৰিৱেশ সৃষ্টি কৰাৰ উদ্দেশ্য আগত ৰাখি বিভিন্ন দল সংগঠনে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰাও আমি দেখিবলৈ পাই আহিছোঁ। পৰিৱেশ সংৰক্ষণৰ বাবে চৰকাৰীভাৱেও কিছুমান কাৰ্য্য ৰূপায়ন কৰা আমাৰ দৃষ্টিগোচৰ হৈ আহিছে। কিন্তু বছৰৰ মাত্ৰ এটা দিন পৰিৱেশ সংৰক্ষণৰ বাবে সকলোৱে একত্ৰিত হলেই আমাৰ দায়িত্ব শেষ নেকি? কেৱল বিশ্ব পৰিৱেশ দিৱস পালন কৰিবলৈ এটা গছ পুলি ৰুই তাৰ আলোকচিত্ৰ সামাজিক মাধ্যমত প্ৰচাৰ কৰাটোৱেই আমাৰ দায়িত্ব নেকি? এনেধৰণৰ বহু প্ৰশ্নই এতিয়া প্ৰাসংগিক হৈ উঠিছে। কিয়নো সমগ্ৰ বিশ্বতে যি ধৰণে গোলকীয় উষ্ণতা বৃদ্ধি পাইছে তাৰ প্ৰতি যদি আমি নজৰ দিওঁ তেনেহলে দেখিবলৈ পাম যে আমি পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত যিমান গুৰুত্ব প্ৰদান কৰিছোঁ তাৰ তুলনাত পৰিৱেশ ধ্বংস কৰাত অধিক উঠিপৰি লাগিছোঁ। আমি নিজকে এগৰাকী পৰিৱেশ প্ৰেমী বুলি জহাবলৈ বছৰৰ মাত্ৰ এটা দিনত এটা গছপুলি ৰোপণ কৰি সেই আলোকচিত্ৰ সামাজিক মাধ্যমত প্ৰচাৰ কৰিলেই পৰিৱেশ আমাৰ বাবে উন্নত হৈ নুঠে। আমি নিজে ৰোপণ কৰা গছপুলিটো যাতে লহপহকৈ বাঢ়ি আহি এডাল বটবৃক্ষত পৰিণত হয় সীমানখিনি লৈকে আমাৰ দায়িত্ব থাকিলেহে আমি ৰোপণ কৰা গছপুলিটো সাৰ্থক হব। আমি যিমানেই আধুনিকতাৰ ধামখুমীয়াত নিজকে বিলীন কৰি দিবলৈ চেষ্টা নকৰো লাগিলে কিন্তু গছ-গছনি অবিহনে যে পৃথিৱীত আমাৰ জীৱন নিৰ্বাহ দুৰ্বিসহ হব সেয়া প্ৰকৃতিয়ে লাহে লাহে আমাক অনুধাৱন কৰিবলৈ বাধ্য কৰাইছে। প্ৰকৃতিক সুস্থ ভাৱে জীয়াই ৰাখিবলৈ গছপুলি ৰোপণ কৰাৰ ক্ষেত্ৰত আমাৰ মাজত যি প্ৰতিযোগিতা চলে সেয়া যদি যোগাত্মক হয় তেনেহলে পৃথিৱীৰ বাবে অতিকৈ সুখৰ বিষয় হিচাপে বিবেচিত হব। প্ৰতিযোগিতা কেৱল গছপুলি ৰোপণ কৰাৰ ক্ষেত্ৰতে সীমাবদ্ধ নাৰাখি আমি ৰোপণ কৰা গছপুলি সমূহক লালন-পালন কৰি জীয়াই ৰখাটোৰ ক্ষেত্ৰতো যদি প্ৰতিযোগিতাত নামো তেনেহলে নিশ্চিতভাৱে এদিন আমাৰ পৃথিৱীখন সেউজীয়া হৈ পৰিব। আমি কল্পনা কৰা গছ-গছনিৰে ভৰপূৰ এখন সেউজীয়া পৃথিৱী তেতিয়াহে সম্ভৱ হৈ উঠিব যেতিয়া আমি নিজে নিজৰ জীৱনৰ ব্যস্ততাৰ মাজতো কিছু মূহুৰ্ত এটা গছপুলি জীয়াই ৰখাৰ বাবে খৰচ কৰিবলৈ আৰম্ভ কৰিম। আমি তেতিয়াহে পৃথিৱীত এক সেউজীয়া পৰিৱেশ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হম যেতিয়া আমি নিজকে এগৰাকী পৰিৱেশ সংৰক্ষণৰ সেনানীৰূপে গঢ় দিবলৈ সক্ষম হম। বছৰৰ মাত্ৰ এটা দিনত পালন কৰা বিশ্ব পৰিৱেশ দিৱসে এক সুস্থ পৰিৱেশ গঢ়ি তোলাত কোনো ভূমিকা পালন কৰিব নোৱাৰে। বিশ্ব পৰিৱেশ দিৱস পালনৰ যি উদ্দেশ্য সেয়া আমি বছৰৰ প্ৰতিটো দিনতে নিজৰ মনত ৰাখি লৈ আগবাঢ়ি যাব লাগিব আৰু তাৰ বাবে নিজৰ কৰণীয় খিনি কৰি যাব লাগিব তেতিয়াহে বিশ্ব পৰিৱেশ দিৱস পালনৰ যি সাৰ্থকতা সেয়া বাস্তৱায়িত হোৱা আমি দেখিবলৈ পাম। আমি সকলোৱে এটা কথা মনত ৰখা উচিত যে যদি পৃথিৱীৰ পৰিৱেশ যেতিয়ালৈকে সুস্থ হৈ থাকিব তেতিয়ালৈকে পৃথিৱীৰ মানৱ সমাজেও সুস্থভাৱে জীয়াই থাকিবলৈ সক্ষম হব। কিন্তু যেতিয়াই পৃথিৱীৰ পৰিৱেশ সম্পূৰ্ণৰূপে অসুস্থ হৈ পৰিব তেতিয়াৰ পৰাই পৃথিৱীত মানৱ সমাজৰ জীয়াই থকাৰ বাবে এক প্ৰতিকূল পৰিস্থিতিৰ সৃষ্টি হোৱাটো অৱস্যাম্ভী। পৰিৱেশৰ সুস্থতা নাইবা অসুস্থতাই নিৰ্দ্ধাৰণ কৰিব পৃথিৱীত মানৱ সমাজৰ জীৱন আৰু মৃত্যুৰ মাজত দূৰত্বৰ ব্যৱধান কিমান থাকিব।

# নিশাটো আমাৰ একান্ত ব্যক্তিগত

সত্যজিৎ গগৈ,কলিয়াবৰ



আন্ধাৰৰ স'তে মিতালী গঢ়ি
জোনাকী জাকৰ দেশত
আমি এনিশাৰ বাবে বহিম,
হাঁহি-কান্দোনৰ মাজেৰে যাপন কৰিম
গভীৰ নিশাৰ মাদকতা,
আশাবোৰ বাঢ়িব আৰু
হেঁপাহবোৰ ফুলি উঠিব নকৈ
অহংকাৰে বাঁহ সাজিব খুজিও থমকি ৰ'ব
উদং বুকুৰ পৰিধি বিচাৰি,
পথালি চকুদুটাৰ আঁৰে আঁৰে
টৌ খেলি থাকিব মন হাঁহজাকে
মধুৰ মিলনান্তই উপচি পৰিব পাৰে
আমাৰ এহাত এমুঠন বুকুখন...

প্ৰথম পৃষ্ঠাৰ পৰা...

## আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ

এনডিএ চৰকাৰে শপতগ্ৰহণ কৰিব। চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ, শ্ৰীলংকা, ভুটান, নেপাল, মৰিছাছ আদি দেশৰ মুৰব্বীৰ লগতে মালদ্বীপৰ ৰাষ্ট্ৰপতিও এই শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইতিমধ্যে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শেখ হাছিনাই শপতগ্ৰহণ অনুষ্ঠানত অংশ ল'বলৈ নতুন দিল্লীত উপস্থিত হৈছে। বিদেশী ৰাষ্ট্ৰৰ মুৰব্বীৰ লগতে বিকশিত ভাৰতৰ এম্বেছাডৰ, কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ হিতাধিকাৰী, জনজাতীয় মহিলা, অনাময় কৰ্মী, অধিবক্তা, চিকিৎসক, শিল্পী, সাংস্কৃতিক কৰ্মীৰ লগতে প্ৰায় ৫০জন বিভিন্ন ধৰ্মৰ নেতাই এই শপতগ্ৰহণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এছিয়াৰ প্ৰথম মহিলা লোক' পাইলট সুৰেখা যাদৱকো এই শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। উল্লেখ্য যে ২০১৪ চনত বিজেপিয়ে ২৮২খন আসন আৰু ২০১৯ চনত বিজেপিয়ে ৩০৩খন আসন লাভ কৰি এনডিএৰ প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীয়ে কাৰ্যনিৰ্বাহ কৰাৰ পিছত ২০২৪ চনত ২৪০খন আসনেৰে বিজেপি নেতৃত্বাধীন এনডিৰ হৈ প্ৰধানমন্ত্ৰীৰ শপত ল'ব নৰেন্দ্ৰ মোদীয়ে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰয়োজনীয় ২৭২খন আসন দখল কৰিবলৈ সক্ষম নহ'ল। বিজেপি নেতৃত্বাধীন এনডিএই ২৯২খন আসন লাভ কৰি চৰকাৰ গঠন কৰে।

## আজি ভাৰত- পাকিস্তানৰ

মেচত আমেৰিকাৰ হাতত পৰাস্ত হ'লেও ভাৰতীয় দলটোৱে বাবৰ বাহিনীক সহজভাৱে ল'ব বিচৰা নাই। কাৰণ যিকোনো মুহূৰ্ততে দলটোৰ প্ৰত্যাৱৰ্তন ঘটোৱাৰ শক্তি আছে। অৱশ্যে আজিৰ এই হাইভ'ল্টেজ মেচখনৰ পূৰ্বে কিছু চিন্তিত হৈ পৰিছে ভাৰতীয় শিবিৰ। আয়াৰলেণ্ডৰে খেলা প্ৰথমখন মেচত তাৰকা বেটাৰ বিৰাট কোহলি আৰু সূৰ্যকুমাৰ যাদৱ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল। ভাৰতীয় দলটোৰ অধিনায়ক ৰোহিত শৰ্মাই কয় যে পাকিস্তানৰ পৰা পাবলগীয়া সকলো ধৰণৰ প্ৰত্যাহ্বানক লৈ সম্পূৰ্ণ সাজু হৈছে সতীৰ্থসকল। নিউয়ৰ্কৰ উইকেটৰ লগত খাপ খোৱাৰ বাবে সতীৰ্থসকলে দীৰ্ঘ সময় ধৰি অনুশীলনত ভাগ লয়। আজিৰ মেচখনত পাকিস্তানতকৈ নিউয়ৰ্কৰ খেলপথাৰখনহে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ব বুলি মন্তব্য কৰি অধিনায়ক ৰোহিত শৰ্মাই লগতে কয় যে নাছাউ কাউন্টি আন্তৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামৰ উইকেটৰ মহিমা বুজাটো টান। ইয়াৰ উইকেটে কেতিয়াবা বাউন্স আৰু কেতিয়াবা বল তললৈ নামি আহে। গতিকে আমি প্ৰথমৰে পৰাই সাৱধানতাৰে খেলিব লাগিব। কাৰণ বিপক্ষ দলটোত শ্বাহিন শ্বাহ আফ্ৰিদী, হৰিশ ৰৌফ, নাছিম শ্বাহকে ধৰি কেইবাজনো তাৰকা পেচবলাৰ আছে।

তিনি পৃষ্ঠাৰ পৰা...

## হৰ্ষোল্লাসেৰে উন্মোচিত

পৃথিৱীৰ সন্মুখীন হোৱাৰ লগে লগে এক কণ্টকময় পথেৰে আগুৱাবলৈ লয়। পোষ্টাৰ উন্মোচন অনুষ্ঠানত প্ৰদৰ্শিত চলচ্চিত্ৰখনৰ সুন্দৰ শিল্পকৰ্মই উপস্থিত সকলৰ মাজত উৎসাহ আৰু প্ৰত্যাশাৰ সৃষ্টি কৰে। মিছমিৰ মুখ্য চৰিত্ৰত অভিনয় কৰা চুপাৰ ডান্সাৰ খ্যাত প্ৰতিভাশালী শিশু শিল্পী, ফ্লৰিনা গগৈকে ধৰি সুস্মিতা মুখাৰ্জী, অথৰ্ব বিশ্বকৰ্মা, সংকলিতা ৰয়, সিদ্ধাৰ্থ মুখাৰ্জী আৰু পাৰ্থ দত্তৰ সৈতে অন্য কলাকুশলী আৰু কৰ্মচাৰীসকলো অনুষ্ঠানটোত উপস্থিত থাকে। "ইউ আৰ মাইন" ত মিছমিৰ এজন সুদৰ্শন ৰাজকুমাৰৰ মনোমোহা সপোন, সৰু সৰু কথাবোৰত লুকাই থকা তাইৰ সহজ-সৰল আনন্দ আৰু আইতাকৰ সৈতে থকা এটি গভীৰ বন্ধন প্ৰতিফলিত হৈছে। কিন্তু, তাই বাস্তৱত তাইৰ সপোনৰ ৰাজকুমাৰৰ মুখামুখি হোৱাৰ পাছত তাইৰ সপোনৰ পৃথিৱীখন ভাগি পৰে আৰু জীৱন ছেদেলি-ভেদেলি হৈ যায়। সুমন অধিকাৰীৰ পৰিচালনা আৰু সংকলিতা ৰয়ৰ চিত্ৰনাট্যৰে পূৰ্ণাঙ্গ ৰূপ লাভ কৰা এই চলচ্চিত্ৰখন দৰ্শকক এক আৱেগিক অথচ চাবলগীয়া সৃষ্টি হিচাপে পৰিগণিত হ'ব বুলি আশা কৰা হৈছে। সুমন অধিকাৰী, ৰাজীৱ ৰয়চৌধুৰী আৰু দুদুল শইকীয়াৰ দ্বাৰা প্ৰস্তুত আৱহ সংগীতে ছবিখনৰ আৱেগিক ভাৱধাৰাক অধিক পৰিস্ফুট কৰি তুলিছে। আনহাতে সুমন আধিকাৰী বিৰচিত গীতবোৰে মিছমিৰ সপোন আৰু আকাংক্ষাক সুন্দৰভাৱে ব্যাখ্যা কৰিছে। প্ৰডাকচন মেনেজাৰ আজিবুল আলীয়ে এই বিশেষ প্ৰকল্পটোৰ সুন্দৰ পৰিচালনা কৰিছে। এক বৃহৎ সফলতাৰে সমাপ্ত হোৱা এই পোষ্টাৰ উন্মোচন অনুষ্ঠানটোৱে দৰ্শকসকলক এক মনোমোহা চলচ্চিত্ৰ অভিজ্ঞতা প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। উপস্থিত লোকসকলে ছবিখনৰ মুক্তিৰ বাবে তেওঁলোকৰ উৎসাহ আৰু প্ৰত্যাশা ব্যক্ত কৰি ডাঙৰ পৰ্দাত মিছমিৰ যাত্ৰা চাবলৈ আগ্ৰহেৰে অপেক্ষা কৰি থকা উল্লেখ কৰে।

চাৰি পৃষ্ঠাৰ পৰা...

## গ্ৰাছৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

সাহিত্য ক্ষেত্ৰলৈ অনবদ্য অৱদান বুলি কোৱাৰ লগতে পৰিবেশ সম্পৰ্কীয় সমাজৰ দায়িত্ব সম্পৰ্কীয় সুন্দৰ বক্তব্য প্ৰদান কৰে। সদ্য ঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বোকাখাতৰ ছাত্ৰ তন্ময় চৌধুৰীক গ্ৰাছৰ তৰফৰ পৰা এটি স্মাৰক আৰু এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় ।তন্ময় চৌধুৰীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে ।এই অনুষ্ঠানতে গ্ৰাছৰ নতুন সংযোজন নিউজ পৰ্টেল "নিউজ ৱেভ"ৰ আনুষ্ঠানিক ঘোষণা কৰা হয়। গ্ৰাছে অহা বৰ্ষৰ পৰা অমল দাৱৰ পিতৃৰ নামত উৎসৰ্গিত "বিভুল দাৱ সোঁৱৰণী সমাজ হিতৈষী বঁটা" আগবঢ়াব বুলি ঘোষণা কৰে । অমৰ শৰ্মাই শলাগৰ শৰাইত অনুষ্ঠান সফল কৰি তোলাৰ বাবে সভাপতি, অংকুৰ বৰঠাকুৰ, সম্পাদক ইন্দ্ৰেশ্বৰ বৰা, অন্যান্য বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত গ্ৰাছৰ সমূহ সদস্যৰ লগতে বোকাখাতৰ সমাজ জীৱনৰ লগত জড়িত আমন্ত্ৰিত গণ্যমান্য ব্যক্তি মনোৰঞ্জন সেন, নিজৰা বৰঠাকুৰ, মিনতি দলে, মহাবীৰ প্ৰসাদ আগৰৱালা, বিজয় শৰ্মা, আদি আৰু সাংবাদিক অচ্যুত হাজৰিকা, সঞ্জীৱ হাজৰিকা প্ৰদীপ হাজৰিকা, সুদীপ্ত তামুলী, প্ৰদীপ শৰ্মা, অজন্তা তালুকদাৰ, ৰাজীৱ বৰা, আদি বহুসংখ্যক উপস্থিত থাকে। সভাপতিৰ মন্তব্যৰে সভাভংগ ঘোষণা কৰা হয় ।

## শিক্ষকৰ বদলিকৰণ

শিক্ষাৰ ক্ষেত্ৰত আবেদন-পত্ৰ গ্ৰহণ কৰা হ'ল। মাধ্যমিক পৰ্যায়ৰ কাৰণে এটা পৰীক্ষা অনুষ্ঠিত হ'ব। ইতিমধ্যে ইয়াৰ ৰোড মেপ প্ৰস্তুতৰ বাবে আমি ছেবাক দায়িত্ব দিছোঁ। নিৰ্বাচনী আচৰণবিধি বলবৎ থকাৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়াটো বন্ধ আছিল। এতিয়া নিৰ্বাচনী আচৰণবিধি প্ৰত্যাহাৰ হোৱাৰ লগে লগে প্ৰক্ৰিয়াটো আৰম্ভ হ'ব বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য যে 'নিপুণ ভাৰত অভিযান'ৰ লগত সংগতি ৰাখি ৰাজ্যত 'নিপুণ অসম অভিযান' ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰিছে। শিক্ষা বিভাগে ইয়াৰ অংশ হিচাপে এখন তিনিদিনীয়া কৰ্মশালাৰ আয়োজন কৰিছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি বলৱৎ হোৱাৰ লগে লগে প্ৰাথমিক শিক্ষাত অন্তৰ্ভুক্ত হৈছে বিভিন্ন ধৰণৰ নতুন নতুন দিশ। বিশেষকৈ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকলৰ ওপৰত প্ৰশাসনিক দায়িত্বভাৰ ন্যস্ত থকাৰ উপৰি তেওঁলোক শৈক্ষিক বিষয়াৰূপেও চিহ্নিত হৈছে। এনেধৰণৰ দিশসমূহ সামৰিয়ে শিক্ষা বিভাগে এই কৰ্মশালাখন আয়োজন কৰিছে ।

দুই পৃষ্ঠাৰ পৰা...

## অসমৰ ১১ খনত

ব্যৱধানত জয় লাভ কৰে। যোৰহাট সমষ্টিত কংগ্ৰেছৰ গৌৰৱ গগৈয়ে ৭, ৫১, ৭৭১টা ভোট লাভ কৰি ১, ৪৪, ৩৯৩টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। কৰিমগঞ্জ সমষ্টিত বিজেপিৰ কৃপানাথ মল্লই ৫, ৪৫, ০৯৩ ভোট লাভ কৰি ১৮, ৩৬০টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। কাজিৰঙা সমষ্টিত বিজেপিৰ কামাখ্যা প্ৰসাদ তাছাই ৮, ৯৭, ০৪৩টা ভোট লাভ কৰি ২, ৪৮, ৯৪৭টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। কোকৰাঝাৰ সমষ্টিত UPPLৰ জয়ন্ত বসুমতাৰীয়ে ৪, ৮৮, ৯৯৫টা ভোট লাভ কৰি ৫১, ৫৮৩টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। লখিমপুৰ সমষ্টিত বিজেপিৰ প্ৰদান বৰুৱাই ৬, ৬৩, ১২২টা ভোট লাভ কৰি ২, ০১, ২৫৭টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। নগাঁও সমষ্টিত কংগ্ৰেছৰ প্ৰদ্যুত বৰদলৈয়ে ৭, ৮৮, ৮৫০টা ভোট লাভ কৰি ২, ১২, ২৩১টা ভোটৰ ব্যৱধানত জয় লাভ কৰাৰ বিপৰীতে বিজেপিৰ সুৰেশ বৰাই লাভ কৰে ৫, ৭৬, ৬১৯টা ভোট। শিলচৰ সমষ্টিত পৰিমল শুক্লবৈদ্যই ৬, ৫২, ৪০৫টা ভোট লাভ কৰি ২, ৬৪, ৩১১টা ভোটৰ ব্যৱধানত জয় লাভ কৰে। শোণিতপুৰ সমষ্টিত বিজেপিৰ ৰঞ্জিত দত্তই ৭, ৭৫, ৭৮৮টা ভোট লাভ কৰি ৩, ৬১, ৪০৮টা ভোটৰ ব্যৱধানত জয় লাভ কৰে।

## দেশৰ ভিতৰতে

লালৱানীয়ে ১২, ২৬, ৭৫১টা ভোট লাভ কৰি ১০, ০৮, ০৭৭টা ভোটেৰে দ্বিতীয় স্থানত আছে। মধ্য প্ৰদেশৰ বিদিশা লোকসভা সমষ্টিৰ পৰা জয়লাভ কৰা বিজেপিৰ প্ৰাৰ্থী শিৱৰাজ সিং চৌহানে ১১, ১৬, ৪৬০টা ভোট লাভ কৰি ৮, ২১, ৪০৮টা ভোটৰ ব্যৱধানেৰে তৃতীয় স্থানত থকাৰ বিপৰীতে গুজৰাটৰ গান্ধীনগৰ লোকসভা সমষ্টিৰ পৰা জয় লাভ কৰা বিজেপিৰ প্ৰাৰ্থী অমিত শ্বাহে ১০, ১০, ৯৭২টা ভোট লাভ কৰি ৭, ৪৪, ৭১৬টা ভোটৰ ব্যৱধানেৰে চতুৰ্থ স্থানত আছে। ৪ জুনৰ ফলাফলত ৰকিবুল হুছেইনে অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰাৰ পিচতেই ইয়াকে লৈ হৈছে চৰ্চা । আনকি নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতে বাজপেয়ী ভৱনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰে হোৱা সাক্ষাৎকাৰত তেওঁৰ ভাষণ প্ৰসংগত কয় যে, "অসমত এইবাৰ লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইন নায়ক হিচাপে পৰিগণিত হৈছে। গৌৰৱ গগৈতকৈ ৰকিবুল হুছেইনৰ কথা আলোচনা কৰক।"

## বানপানীৰ প্ৰস্তুতি

জনায় । ইতিমধ্যে প্ৰাকৃতিক দুৰ্যোগৰ পৰা জনসাধাৰণক উদ্ধাৰৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহনী (এন ডি আৰ এফ) আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (এছ ডি আৰ এফ) সাজু কৰি ৰখা হৈছে। সভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ যুটীয়া সচিব হেমাশ্ৰী হাজৰিকাই সংশ্লিষ্ট বিভাগসমূহক নিজৰ নিজৰ দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিয়ে । উক্ত সভাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া কৌস্তভ তালুকদাৰৰ লগতে জিলা আয়ুক্ত কাৰ্যালয়ৰ অন্যান্য বিষয়া - কৰ্মচাৰীসকল উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Assam Governor plants saplings on World Environment Day



Guwahati,RB News- On the occasion of World Environment Day, Assam Governor Shri Gulab Chand Kataria and the First Lady Smt Anita Kataria planted saplings at Raj Bhavan campus . Sharing his thoughts on the occasion, Governor Shri Kataria said, "Celebration of World Environment Day has become the most important occasion to generate awareness about climate change and champion the cause of sustainable development. As we celebrate World Environment Day, I urge upon all to become active warriors in protecting our environment". The Governor also said that besides celebrations, everybody should take resolve to protect mother earth and enable the planet to ensure and facilitate a harmonious co-existence and increase green coverage by planting trees.

# Lakshya Sen loses in quarter - final of Indonesia Open 2024




RB News- Lakshya Sen lost to Danish shuttler Anders Antonsen in the quarter-final of the Indonesia Open 2024 on Friday ending India's representation in the tournament. Lakshya lost in straight games despite leading in both games with a scoreline of 22-24, 18-21. With Lakshya's loss, Indian representation at the tournament ended.

# Ambulance donated to Deepsikha Foundation




Guwahati,RB News- Assam Governor Shri Gulab Chand Kataria handed over an ambulance to Deepsikha Sishu Ashray Sthal of Deepsikha Foundation(a trust for cancer care) at Raj Bhavan. It may be noted that social worker Sri Pannalal Gangwal of Shree Digamber Jain Panchayat, Guwahati on his 100th birthday donated the ambulance to Deepsikha Sishu Ashray Sthal as the Governor handed over the key of the ambulance to Deepsikha in recognition to its humanitarian services rendered to the people afflicted with cancer. Governor Shri Kataria lauded Sri Pannalal Gangwal and his Trust for donating the ambulance. He said that the humanitarian gesture of the trust would also help Deepsikha in reaching out to needy people in times of emergency. He also said that seva (service) is the noblest action, which is tantamount to serving the God. He also hailed Deepsikha Foundation for its unrelenting demeanour in serving the people with cancer and ensuring their early and right treatment. He also thanked the members and other functionaries of Deepsikha Foundation for their humanitarian services which according to him, have enabled thousands of patients to lead a normal life. DC Morigaon Devashish Sharma who is also the Founder Chairman of Deepsikha Foundation also spoke in detail on the activities of the Deepsikha foundation.

# Ramoji Rao passes away at age of 87 in Telangana



RB News- The man who straddled the media and film industry in Andhra Pradesh and Telangana for half a century, Cherukuri Ramoji Rao, passed away at the age of 87 in the city. Ramoji Rao, who had been ailing for some time, was admitted to a hospital on Friday and put on ventilator support. He passed away on Saturday. Prime Minister elect Narendra Modi and President Droupadi Murmu have condoled his death.His last rites will be performed with state honours at Ramoji Film City on Sunday.

# Afghanistan beat New Zealand



RB News- Afghanistan defeated New Zealand by 84 runs in a T20 World Cup 2024 Group C match. It's the first time that Afghanistan have defeated New Zealand in international cricket. Afghanistan posted a total of 159/6 and bowled New Zealand out for 75 runs in 15.2 overs. Afghanistan captain Rashid Khan and Fazalhaq Farooqi took four wickets each.

# South Africa beat Netherlands by 4 wickets in New York



RB News- South Africa defeated Netherlands by four wickets to register their second win in T20 World Cup 2024. South Africa restricted Netherlands to 103/9 and chased down the target with seven balls to spare despite being 12/4 after 4.3 overs. David Miller top-scored for South Africa with 59*(51).

# ড্ৰৰে সমাপ্ত সুনীল চেত্ৰীৰ কেৰিয়াৰৰ অন্তিম মেচ



ৰঙিলী বাৰ্ত্তাসেৱা- কেৰিয়াৰৰ অন্তিম মেচত ভাৰতীয় দলক জয়ৰ সোৱাদ দিয়াৰ পৰা বঞ্চিত হয় অধিনায়ক সুনীল চেত্ৰী। ফিফা বিশ্বকাপ কোৱালিফায়াৰৰ কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ 'এ'ৰ দ্বিতীয় ৰাউণ্ডৰ মেচখনত ঘৰুৱা দল ভাৰতে কুৱেইটৰ বিপক্ষে গ'ল শূন্যভাৱে ড্ৰ খেলি পইন্ট ভগাই লয়। কেৰিয়াৰৰ অন্তিম মেচখনত সুনীল চেত্ৰীক সতীৰ্থই জয়েৰে বিদায় জনোৱাৰ সংকল্প লৈছিল যদিও ব্যৰ্থ হয়। সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত ভাৰতীয় দলটোৱে প্ৰথমৰ পৰাই উজ্জীৱিত খেল দাঙি ধৰিছিল যদিও গ'ল কৰাত ব্যৰ্থ হৈছিল ভাৰতীয় দলটো। কুৱেইটৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে তিনিটাকৈ শ্বট লৈছিল যদিও কাৰ্যকৰী কৰাত ব্যৰ্থ হয়। কেৰিয়াৰৰ অন্তিমখন মেচত গ'ল স্ক'ৰ কৰাত ব্যৰ্থ হয় অধিনায়ক সুনীল চেত্ৰী। দ্বিতীয়াৰ্ধত ঘৰুৱা দলটোৱে আক্ৰমণৰ চোক বৃদ্ধি কৰিছিল যদিও সফলতাৰ মুখ নেদেখিলে। ভাৰতে এতিয়ালৈকে পাঁচখন মেচ খেলি ৫ পইন্ট সংগ্ৰহ কৰি গ্ৰুপ 'এ'ৰ পইন্ট তালিকাত দ্বিতীয় স্থানত আছে।

# ছুপাৰ অভাৰত পাকিস্তানক পৰাস্ত কৰে আমেৰিকাই




ৰঙিলী বাৰ্ত্তাসেৱা- পূৰ্ণগতিত চলি থকা টি-২০ বিশ্বকাপত আয়োজক আমেৰিকাই পাকিস্তানক পৰাস্ত কৰি বৃহৎ অঘটন সংঘটিত কৰে। মেচখনত ঘৰুৱা দলটোৱে বাবৰ আজম বাহিনীক ছুপাৰ অভাৰত পৰাস্ত কৰি ইতিহাস ৰচনা কৰে। শ্বাসৰুদ্ধকাৰী মেচখনৰ চুপাৰ অভাৰত আমেৰিকাই কোনো উইকেট নেহেৰুৱাকৈ ১৮ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে পাকিস্তানে এটা উইকেট হেৰুৱাই ১৩ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত সাত উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। পাকিস্তানে জয়ৰ বাবে বান্ধি দিয়া ১৫৯ৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি আমেৰিকাই নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৫৯ ৰান কৰাত মেচখন টাই হয়। প্ৰথমে বেটিং কৰিবলৈ আহি অধিনায়ক বাবৰ আজমৰ ৪৪, ছাদাব খানৰ ৪০ আৰু শ্বাহিন শ্বাহ আফ্ৰিদীৰ অপৰাজিত ২৩ ৰানৰ সহায়ত পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ২৬ ৰানতে মহম্মদ ৰিজৱান (৯), ওছমান খান (৩) আৰু ফখৰ জামান (১১)ক হেৰুৱাই বিপদত পৰে পাকিস্তান। অৱশ্যে বাবৰ আৰু ছাদাবে চতুৰ্থ উইকেটত ৬২ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। ছাদাবে ২৫ বলত ৪০ ৰান কৰি আউট হোৱাৰ পিছতে দলটো পুনৰ বিপদত পৰে। ছাদাব আউট হোৱাৰ পৰৱৰ্তী বলত কোনো ৰান নকৰাকৈ পেভিলিয়নমুখী হয় আজম খান। ব্যক্তিগত ৪৪ ৰানত আউট হোৱাৰ পূৰ্বে বাবৰে ইফতিকাৰ আহমেদৰ সৈতে ষষ্ঠ উইকেটত ২৭ৰান সংগ্ৰহ কৰে। ইফতিকাৰে ১৮ ৰানৰ অৱদান আগবঢ়ায়। শেষৰ পিনে শ্বাহিন ছাহে অপৰাজিতভাৱে ২৩ ৰান কৰি দলক কিছু সন্মানজনক স্থিতিত উপনীত কৰায়। আমেৰিকাৰ হৈ নষ্টুছ কেনজিগে সৰ্বাধিক৩টা উইকেট লাভ কৰে। ১৬০ ৰানৰ জয়ৰ লক্ষ্যৰে বেটিং কৰিবলৈ আহি অধিনায়ক মনাংক পেটেলৰ ৫০, আৰ'ন জ'নছৰ ৩৬, এণ্ড্ৰিছ গ'উছৰ ৩৫, নীতিশ কুমাৰৰ ১৪ আৰু ষ্টিভেন টেইলৰৰ ১২ ৰানৰ সহায়ত আমেৰিকাই নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৫৯ ৰান কৰে। অন্তিম তিনিটা বলত জয়ৰ বাবে আমেৰিকাক ১২ ৰানৰ প্ৰয়োজন হৈছিল যদিও দলটোৱে ১১ ৰান কৰাত মেচখন টাই হয়। ফলত ছুপাৰ অভাৰত আমেৰিকাই পাকিস্তানক পৰাস্ত কৰি বৃহৎ অঘটন সংঘটিত কৰে।

# স্কটলেণ্ডৰ হাতত ৫ উইকেটত পৰাস্ত নামিবিয়া



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত টি-২০ বিশ্বকাপত প্ৰথমটো জয়ৰ সোৱাদ লাভ কৰিছে স্কটলেণ্ডে। বাৰ্বাডোজত অনুষ্ঠিত গ্ৰুপ 'বি'ৰ মেচখনত স্কটলেণ্ডে নামিবিয়াক ৫ উইকেটত পৰাস্ত কৰে। মেচখনত বিজয় সাব্যস্ত কৰি স্কটলেণ্ডে দুখন মেচৰ পৰা ৩ পইন্ট সংগ্ৰহ কৰি পইন্ট তালিকাৰ শীৰ্ষস্থানত আছে। মন কৰিবলগীয়া যে স্কটলেণ্ড আৰু ইংলেণ্ডৰ মাজৰ মেচখন বৰষুণৰ বাবে পৰিত্যক্ত হোৱাত দুয়োটা দলে এক পইন্টকৈ লাভ কৰে। এই মেচখনত নামিবিয়াই জয়ৰ বাবে বান্ধি দিয়া ১৫৬ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অধিনায়ক ঋষি বেৰিংটনৰ দৰ্শনীয় অপৰাজিত ৪৭ আৰু মাইকেল লীকৰ ৩৫ ৰানৰ সহায়ত স্কটলেণ্ডে ১৮.৩ অভাৰত ৫টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। অ'পেনাৰ মাইকেল জ'নছে ২৬ আৰু ব্ৰেণ্ডন মেকমুলেনে ১৯ ৰানৰ অৰিহণা আগবঢ়ায়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি অধিনায়ক গেৰহাৰ্ড ইৰাছমাছৰ ৫২, জেন গ্ৰীনৰ ২৮ আৰু নিক'লাছ ডেভিনৰ ২০ ৰানৰ সহায়ত নামিবিয়াই নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটত ১৫৫ ৰান কৰে। স্কটলেণ্ডৰ হৈ ব্ৰেড হুইলে সৰ্বাধিক ৩টা উইকেট লাভ কৰে।

# জয়েৰে টি-২০ বিশ্বকাপৰ অভিযান আৰম্ভ টীম ইণ্ডিয়াৰ



ৰঙিলী বাৰ্ত্তাসেৱা- টি-২০ বিশ্বকাপত সহজ জয়েৰে অভিযান আৰম্ভ কৰিছে টীম ইণ্ডিয়াই। নিউয়ৰ্কত অনুষ্ঠিত গ্ৰুপ 'এ'ৰ ল' স্ক'ৰিং মেচখনত টীম ইণ্ডিয়াই আয়াৰলেণ্ডক ৮ উইকেটত পৰাস্ত কৰে। মেচখনত আয়াৰলেণ্ডে জয়ৰ বাবে বান্ধি দিয়া ৯৭ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অধিনায়ক ৰোহিত শৰ্মাৰ ৫২ আৰু ঋষভ পণ্টৰ অপৰাজিত ৩৬ ৰানৰ সহায়ত ভাৰতে ১২.২ অভাৰত দুটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ৰোহিতে ৫২ ৰান কৰি ৰিটায়াৰ্ড হাৰ্ট হয়। ইফালে কোহলিয়ে ১ আৰু সূৰ্য কুমাৰ যাদৱে মাত্ৰ ২ ৰান কৰি পেভিলিয়নমুখী হয়। দলীয় স্ক'ৰ ২২ ৰানতে কোহলিৰ ৰূপত ভাৰতে প্ৰথমটো উইকেট হেৰুৱায়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি হাৰ্দিক পাণ্ড্যিা, যশপ্ৰীত বুমৰাহ আৰু অৰ্শদ্বীপ সিঙৰ দুৰ্দান্ত বলিঙৰ সন্মুখত আয়াৰলেণ্ডে ১৬ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৯৬ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ গাৰেথ ডেলানিয়ে সৰ্বাধিক ২৬ ৰান কৰে। অপেনাৰদ্বয় এণ্ডি বলবীৰনি (৫) আৰু অধিনায়ক পল ষ্টিৰলিং (২) সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। টীম ইণ্ডিয়াৰ হৈ হাৰ্দিক পাণ্ড্যিাই সৰ্বাধিক তিনিটা উইকেট লাভ কৰাৰ লগতে অৰ্শদ্বীপ সিং আৰু যশপ্ৰীত বুমৰাহ উভয়ে দুটাকৈ, মহম্মদ চিৰাজ আৰু অক্ষৰ পেটেলে এটাকৈ উইকেট লাভ কৰে।

# ক্ৰিকেটৰ পৰা অৱসৰ কেডাৰ যাদৱৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিলে অল ৰাউণ্ডাৰ কেডাৰ যাদৱে। কেডাৰ যাদৱে নিজৰ ছচিয়েল মিডিয়াৰ জৰিয়তে অৱসৰৰ কথা ঘোষণা কৰে। মহাৰাষ্ট্ৰৰ এইগৰাকী ক্ৰিকেটাৰে ইনষ্টাগ্ৰামত কিশোৰ কুমাৰৰ জনপ্ৰিয় 'জিন্দেগী কি ছফৰ মে' শীৰ্ষক গীতটো বেকগ্ৰাউণ্ডত ব্যৱহাৰ কৰি নিজৰ অৱসৰৰ কথা ঘোষণা কৰে। কেইবাজনো প্ৰাক্তন ক্ৰিকেটাৰে মন্তব্য কৰি তেওঁক পৰৱৰ্তী জীৱনলৈ শুভেচ্ছা জনাই ভাৰতীয় ক্ৰিকেটলৈ আগবঢ়োৱা অৱদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। এইগৰাকী প্ৰতিভাৱান ক্ৰিকেটাৰে ভাৰতৰ হৈ মুঠ ৭৩ খন এদিনীয়া আৰু ৯ খন টি-২০ খেলিছিল। ২০১৯ ৰ এদিনীয়া বিশ্বকাপৰো সদস্য আছিল কেডাৰ যাদৱ। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত যাদৱে ৭৩ খন এদিনীয়া খেলি মুঠ ১৩৮৯ ৰাণ সংগ্ৰহ কৰিছে। আনহাতে ৯ খন টি-২০ খেলি তেওঁ ১২২ ৰাণ সংগ্ৰহ কৰিছে। ল' আৰ্ম অফস্পীনাৰ গৰাকীয়ে এদিনীয়াত ৫.৫ ইকনমিৰে মুঠ ২৭ টা উইকেট লাভ কৰিছে।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286